The interruption lasted for only five minutes, viz. 1509 hrs to 1514 hrs, and was due to the tripping of the Chandrapur Thermal Power station, which consequently threw a heavy load suddenly on the Umtru Power Station, which was running in parallel with the Chandrapur Station at that time, with the result that the Umtru Station also tripped. This double tripping was responsible for the interruption at 1509 hours. However, to meet this situation the Umiam Power Station was immediately started and the power restored at 1514 hours. The cause of the tripping of the Chandrapur Station is under investigation.

3. No power system can be totally free from such interruptions. Hence, in order to ensure maximum possible stability for the power supply to the Assembly complex, the Assam State Electricity Board has laid a direct feeder line from the Kahilipara Sub-Station to the temporary Capital at Dispur. This ensures that as long as the Chandrapur-Umtru-Umiam grid is supply in power to Kahilipara, it reaches the Assembly complex. However, as both the Chandrapur and Umtru Stations had tripped and the Umiam station, which was shut down at that time, had to be started no power could reach the Kahilipara sub-station for five minutes and hence to this august house, as mentioned earlier.

4. As a further measure of precaution, I have asked the A.S.E.B. to examine whether a small portable diesel generating set could be located at Dispur, so that in case of such unavoidable interruptions in future, at least the minimum power required inside this House could be made available.

Shri Dulal Chandra Barua : –Sir, on a point of clarification. The Minister has stated that some steps are being taken to maintain a steady supply of power for smooth functioning of the Assembly but what about the others ? Those common

people, those mass of people who are suffering due to supply of insufficient power ?

Shri Md. Idris. Minister Industries :—Sir, I have stated that this interruption was due to the tripping of 2 lines at a time but the Hon'ble Members are aware that we had to close down the Umiam because of inadequate water in the lake. we all hope that no such interruption as was caused yesterday would recur. This extra measure is meant only for the Assembly because interruption for even one minute will mean disrupting the functioning of the House. The Hon'ble Members will appreciate that a situation of this kind has to be avoided at any cost and that is why I have taken the measures mentioned above and so I have made this statement. The point raised by Hon' member is being looked into by A.S.E.B.

শ্ৰীনগেন বৰুৱাঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিত্তমন্ত্ৰীৰ দায়িত্ব লৈ যিখন বাজেট এই সদনত দাখিল কৰিলে তাৰ পৰা আমাৰ এইটোয়েই অনুমান হ'ল যে ই ৰাইজৰ মাজত হতাশাৰ সৃষ্টি কৰিব। কিয়নো যোৱা মাৰ্চ অধিবেশনত মুখ্য মন্ত্ৰী ডাঙৰীয়াই সদনত প্ৰতিশ্ৰুতি দিছিল যে মাৰ্চ মাহত তেখেতে এখন সম্পূৰ্ণ বাজেট ডাঙি ধৰিব পৰা নাছিল কিছুমান বিশেষ বিশেষ কাৰণত আৰু সেই কাৰণেই এইবাৰ অসমৰ বৰ্ত্তমান বিভিন্ন অৱস্থা লৈ লক্ষ্য কৰি এখন সুন্দৰ বাজেট ডাঙি ধৰিব যিখন বাজেটে অসমৰ অৰ্থনৈতিক বিকাশত আৰু অসমৰ বিত্তিয় অৱস্থাৰ উন্নয়ন সাধনৰ ক্ষেত্ৰত আৰু বিশেষকৈ অসমৰ পুনৰগঠন কৰাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে সহায় কৰিব কিন্তু আজি আমি যিখন বাজেট পাইছোঁ এই বাজেটখনে আমাৰ সদনৰ সদস্য সকলকেই হতাশৰ সন্মুখীন কৰা নাই এই বাজেটখনৰ ব্যাখ্যা ডাঙি ধৰাৰ পিছত আজি অসমৰ ৰাইজৰ মাজলৈ ৰাইজৰ অন্তৰত হতাশৰ ভাৱ আহি পৰিছে। যদি আমি আজি অসমৰ বিত্তিয় পৰিস্থিতি ভালদৰে পৰ্য্যালোচনা কৰি চাওঁ তেতিয়াও আমি হতাশ হৈ পৰোঁ, যোৱা ২৫ ২৬ বছৰে অসমৰ অৰ্থনৈতিক জীৱনত আৰু অসমৰ ৰাইজৰ জীৱনৰ হকে যি পৰিকল্পনা ৰচনা কৰিলে যদি সেই ৰচনা আমি ভালদৰে ফহিয়াই চাওঁ

তেতিয়া আমি হতাশ হৈ পৰো। অসমৰ অৰ্থনৈতিক দুৰ্য্যোগ আৰু অৰ্থনৈতিক মানদণ্ড দুৰ্ব্বল হৈ পৰিছে, ইয়াক কেনেকৈ পুণৰগঠন কৰিব পাৰি আৰু কেনেকৈ অসমৰ অৰ্থনৈতিক বিকাশ সাধন কৰিব পাৰি; সেই ক্ষেত্ৰত চৰকাৰে কেনেকৈ দৃঢ়তাৰে গ্ৰহণ কৰিব সেই ফালে চালেও আমি হতাশ হৈ পৰো। এই বাজেটখনে অসমৰ বিত্তিয় অৱস্থাৰ উন্নতি সাধন কৰাৰ হকে কি কি ব্যৱস্থা লব তাৰ কোনো দৃঢ়তা আমি ইয়াত দেখা নাই আৰু ই অসমৰ ৰাইজলৈ কোনো আশা সঞ্চাৰ কৰিব পৰা নাই।

আজি আমি দেখা মতে অসমৰ ৰাইজৰ কাৰণে কোনো বিকল্প ব্যৱস্থা নাই যাৰ দ্বাৰা সমূহ ৰাইজৰ উন্নতি সাধন কৰিব পৰা যাব, মুখ্যমন্ত্ৰী ডাঙৰীয়াই ডাঙি ধৰা মতে আজি কংগ্ৰেছী শাসনৰ তলত যোৱা ২৬ বছৰেও অসমৰ ১০০ জনৰ ভিতৰত ৭৩ জনতকৈও বেচি মানুহৰ জীৱনৰ মানদণ্ড জীৱন নিৰ্ব্বাহৰ সীমা ৰেখাৰ তলত পৰি আছে। আনকি মুখ্যমন্ত্ৰী ডাঙৰীয়াই শুদ্ধ কৰাৰ পাচতো শতকৰা ৪০.১৪ জন মানুহ অৰ্থাৎ ৪০ জনতকৈ বেচি মানুহ জীৱন নিৰ্ব্বাহৰ মানদণ্ডতকৈ তলত পৰি আছে। অসমত যি ৪ খন পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যোজনা হৈ গ'ল তাত কোটি কোটি টকা খৰচ হৈ গ'ল তাৰ বাহিৰেও নৰ্মেল বাজেট আছেই; ইমান এটা অৰ্থনৈতিক প্ৰচেষ্টাৰ পিচতো আজি অসমৰ ৰাইজক অকাল গ্ৰাসলৈ মাত্ৰ ঠেলি নিয়া হ'ল। আজি ইমান বছৰেও অসমত কংগ্ৰেছ চৰকাৰৰ দায়িত্বও অসমৰ ৰাইজৰ অৰ্থনৈতিক বিকাশ সাধন কৰিব নোৱাৰিলে। যিহেতু এই বিকাশ সাধনৰ কাৰণে অসমত প্ৰচুৰ পৰিমাণৰ সম্পদ আছে আৰু আমাৰ মানুহৰ মানস শক্তি আছে কিন্তু তথাপিও আজি এই সকলোবোৰ চুৰমাৰ হৈ গৈছে।

হিচাব মতে ৭৬ জনতকৈ বেচি মানুহৰ আজি জীৱন নিৰ্ব্বাহৰ মানদণ্ড তলত আছে। অসমৰ কাৰণে চাৰিটা পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ যোজনা গ্ৰহন কৰা হল আৰু কোটি কোটি টকা খৰচ কৰা হল। তাৰ বাহিৰেও নৰ্ম্মেল বাজেট আছেই। ইমানখিনি টক খৰচ কৰাৰ পিচত, অৰ্থনৈতিক বিকাশৰ প্ৰচেষ্টা চলোৱাৰ পিচত অসমৰ মানুহৰ জীৱন ধাৰণৰ মানদণ্ড আজি আকালৰ গ্ৰাসলৈ ঠেলি দিয়াৰ বাহিৰে অসম চৰকাৰে কি কৰিব পাৰিছে? অৰ্থ নৈতিক বিকাশ কৰিবৰ কাৰণে অসমত প্ৰচুৰ পৰিমাণৰ সম্পদ আছে, আমাৰ মানব শক্তি

আছে কিন্তু এই সকলো শক্তি চুৰমাৰ হৈ গল। আমি দেখা পাইছো ১৯৫১-৫২ চনত প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনা আৰম্ভ হওতে আমাৰ ধাৰ আছিল ২ কোটি ৮ লাখ টকা। ১ম পঞ্চবাৰ্ষিকী পৰিকল্পনা ৰথৰ চকৰি ঘুৰোতে ঘুৰোতে ১ম পঞ্চবাৰ্ষিকী পৰিকল্পনা শেষ নৌহওতেই ধাৰ হলগৈ ১৯ কোটি ৯৫ লাখ টকা। যোৱা ২০ বছৰৰ পিচত চাৰিটা পৰিকল্পনাৰ শেষত যোৱা এপ্ৰিল মাহৰ হিচাব মতে ৪২১ কোটি টকা ধাৰৰ বোজা অসমৰ ৰাইজৰ ওপৰত পৰিছে। এই যে ধাৰ লাগিল তাক কোনে মাৰিব ? মুখ্যমন্ত্ৰী মহোদয়ে কৈছে য এই ধাৰটো ঋণ হিচাবে নধৰি সাহায্য হিচাবে ধৰিব লাগে। আমাক ৭০ ভাগ ঋণ আৰু ৩০ ভাগ সাহায্য হিচাবে দিছে গতিকে এই সাহায্যৰ পৰিমাণ বঢ়াব লাগে বুলি কৈছে। অৰ্থনৈতিক পুনৰ গঠনৰ কাৰণে নীতি দৃঢ় ভাবে ঘোষণা কৰিব পাৰিব লাগিছিল। অহা ৫ বছৰৰ ভিতৰত অসমৰ অৰ্থনৈতিক বিকাশত ইমানখিনি আগবাঢ়িব, মানুহৰ জনমুৰি আয় ইমানখিনি বাঢ়িব, ধাৰৰ বোজা কমিব তাক স্পষ্টভাবে ঘোষণা কৰিব লাগিছিল।

তাৰ পিচত মুখ্যমন্ত্ৰী মহোদয়ে নিবনুৱা সমস্যাৰ কথা দাঙি ধৰিছে। চৰকাৰী হিচাব মতেই শিক্ষিত নিবনুৱাৰ সংখ্যা ২৩ হাজাৰ। এই ২৩ হাজাৰ লোকক নিয়োগ কৰিবৰ কাৰণে কোনো এখন স্পষ্ট আচনি নাই। নদী নলা খন্দা আদিৰ আচনি ললে চৰকাৰে এই নিবনুৱা লোক সকলক নিয়োগ কৰিব পাৰিলেহেতেন। কেন্দ্ৰীয় চৰকাৰে টকা নিদিলেও জীৱন বীমা নিগম, ৰাষ্ট্ৰীয়কৃত বেংক আদিৰ পৰা টকা লৈ পানী যোগান, খোৱা পানী আদিৰ আচনি প্ৰস্তুত কৰিব পাৰে। তাৰোপৰি চৰকাৰে যিটো তথ্য দিছে ই সম্পূৰ্ণ সত্য নহয়। কিয়নো আমাৰ হিচাব মতে ২০ লাখ লৰা-ছোৱালী প্ৰাইমাৰী স্কুলত পঢ়ে। প্ৰতি বছৰে ৪-৫ লাখ লৰা-ছোৱালী মাধ্যমিক শিক্ষাৰ কাৰণে যায়। মাধ্যমিক শিক্ষা শেষ কৰি এক লাখ লৰা ছোৱালী উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা দিয়ে। ৩০ হাজাৰ পৰীক্ষাত উত্তীৰ্ণ হয়। বাকী ৭০ হাজাৰ লৰা ছোৱালীয়ে পৰীক্ষা শেষ কৰি ঘৰলৈ যায়। গতিকে নিবনুৱা সমস্যা ই এটা বিৰাট আকাৰ ধাৰণ কৰিছে।

আমাৰ অসমত মাটি নাই। ভাৰতৰ অন্যান্য ৰাজ্যত মানুহৰ হেচা পৰে প্ৰতি বৰ্গ মাইলত ২৬৭ জন আৰু অসমত ইয়াৰ হেচা প্ৰতি বৰ্গ মাইলত ৩৩৪ জন।

এই যে হেচা পৰিছে এই সকল আমাৰ থলুৱা মানুহ নে বাহিৰৰ মানুহ? বাহিৰৰ মানুহ বিলাক আহি বনাঞ্চলত বসতি কৰি লৈছে। আমাৰ লৰা ছোৱালীৰ ঘৰ মাটি নাই। এই আমাৰ শিক্ষিত লৰা ছোৱালী বিলাকক চাকৰি বা ব্যৱসায় বাণিজ্যৰ ব্যৱস্থা কৰি দিব পাৰিছেনে? তেওঁলোকক নিয়োগ কৰিব পৰা বিকল্প ব্যৱস্থা কিবা কৰিছেনে? সংখ্যা গৰিষ্ঠতা লাভ কৰা চৰকাৰৰ প্ৰকৃত তথ্য দাখিল কৰাৰ সাহস নাই। আমাৰ যিমান বিলাক খনিজ সম্পদ আছে তাক চৰকাৰে আহৰণ কৰিব পাৰিছে নে?

আজি আমি ইমান বছৰে এটা জুইশলাৰ কাৰখানাও স্থাপন কৰিব পৰা নাই। বৃটিচৰ দিনতে যি এটা জুইশলাৰ কাৰখানা গোৱালপাৰাত স্থাপন হৈছিল সেইটোৱেই আজিও চলি আছে। তাৰ বাহিৰে কাছাৰত এটা জুইশলাৰ কাৰখানা হৈছে। কিন্তু আজি ছাবিশ বছৰে এটা জুইশলাৰ কাৰখানাও আমি স্থাপন কৰিব পৰা নাই। হাজাৰ বিজাৰ কাঠ কেৱল অসমৰ ৰেলেৰে বাহিৰলৈ গৈয়েই আছে। আৰু বাহিৰত নানান পাইওড ফেক্টৰিত নানান ধৰণৰ বস্তু তৈয়াৰ হৈ আকৌ আমাৰ দেশলৈ ঘূৰি আহিছে। জুইশলা কাঠি হৈ অথবা জুইশলাৰ বাকচ লৈ। আজি অসমৰ হাবি বিলাকত আৰু অসমৰ মাটিত যিমান বাহগছ আছে আন দেশত ক'তো ইমান বাহ গছ নাই। আমাৰ খেতিয়কে বাহ গছ কৰিবলৈ কোনো যত্ন লব নালাগে। এনেয়েই হয়। কোনো চেষ্টা নকৰিলেও প্ৰচুৰ পৰিমাণে হয় যদিও সেই বাহগছক কামত লগাবলৈ অৰ্থাৎ এটা কাগজৰ কলো আজি আমাৰ অসমত স্থাপন কৰা হোৱা নাই। এই বাহগছ বিলাক গৈ কলিকতাৰ বা আন অসমৰ বাহিৰৰ কাগজৰ কলত ব্যৱহৃত হৈ আছে। আজি ছাবিশ বছৰেও এটা কাগজৰ কল স্থাপন কৰিব পৰা হোৱা নাই আৰু চৰকাৰৰ হাততো কোনো তেনে বলিষ্ঠ প্ৰস্তাৱ নাই।

বাংলাদেশ হোৱাৰ পিচৰে পৰা আমাৰ অসমত যিমান খিনি মৰাপাট উৎপন্ন হয় সেই আটাইখিনিয়ে ফৰেইন একচেঞ্জ আনে যথেষ্ট পৰিমাণে। এই মৰাপাট গৈ কলিকতা আৰু আন বাহিৰলৈ গৈ নানা কলত ব্যৱহৃত হৈছে কিন্তু আজিলৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা এখন লাইসেন্সো অমাৰ অসমৰ কাৰণে যোগাৰ কৰা নহল। এটা যিওৱা শিল-ঘাটত মৰাপাটৰ কল আছে তাকো সূক্ষ্ম আঁচনিৰ অভাৱত উন্নতি কৰিব পৰা নাই। আমি কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ বিৰুদ্ধে গৈ হলেও আমাৰ দেশৰ মৰাপাট কল স্থাপন কৰিব লাগিব। এনেকুৱা আঁচনি লব লাগিব যাতে দেশৰ অৰ্থনীতিক

সুদৃঢ় ভাৱে গঢ় দিব পাৰে। অন্তত কেইটামান মধ্যাপাঁটৰ কল স্থাপন কৰিব পাৰিলেও ই আমাৰ অৰ্থনৈতিক বুনিয়াদ গঢ়াত আৰু শিক্ষিত নিবনুৱাসকলক সং-স্থাপন দিয়াৰ সুযোগ দিব। তাৰোপৰি ইয়াৰ পৰা পোৱা বিক্ৰী কৰ আদিয়ে আমাৰ অৰ্থনীতিক এক সুদৃঢ় গঢ় দিয়াত সহায় কৰিব। কিন্তু তেনে ভাৱে কাৰ্য্যপন্থা হাতত লবলৈও আমাৰ চৰকাৰৰ হাতত কোনো স্পষ্ট কথা নাই।

মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে বাজেটত তেনে দিশৰ উল্লেখ থকা বুলি। অৱশ্য বাজেটত ছয়টা চেনী কল স্থাপনৰ কথা উল্লেখ কৰা হৈছে। কিন্তু কেনেকৈ হব, কি হব, ক'ত হব, তাৰ কোনোটোৰেই একো ভূ-ভা নাই আৰু কোনো আভাস ইয়াত দিয়াও নাই। চেনী কলৰ কাৰণে অপৰিহাৰ্য্য বস্তু কুঁহিয়াৰ তৈয়াৰ কৰিবলে কেনে মাটি লাগে, খেতি বাতি কেনে ধৰণৰ ব্যৱস্থাৰে কৰিব লাগে তাৰ কোনো ব্যৱস্থা লোৱা নাই। তথ্য আহৰণ কৰি লৈ কেনেকৈ কল-কাৰখানা আদি কৰিব লাগে তাৰ এটা তথ্যগধুৰ আলোচনা আৰু পৰামৰ্শ কালি মাননীয় সদস্য শ্ৰী গৌৰীশঙ্কৰ ভট্টাচাৰ্য্যই পঞ্জাব আৰু হাৰিয়ানাকে উল্লেখ কৰি কৈছে। শিল্প ক্ষেত্ৰত পিচপৰা হলেও কেনেকৈ হাৰিয়ানা আৰু পঞ্জাৱে কৃষিৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব পাৰিছে, জলসিঞ্চন ব্যৱস্থা আদি তাত সুন্দৰ ভাৱে লোৱা হয় আৰু বিভিন্ন বিভাগৰ মাজত সমন্বয় থকাৰ বাবেই সেই বিলাক দেশৰ আঁচনি বিলাক ফলপ্ৰসু হৈ উঠে। শিল্প নাথাকিলেও কৃষিৰ বুনিয়াদৰ দ্বাৰাই দেশৰ অৰ্থনীতিক এক উন্নত স্তৰলৈ তুলি নিব পৰা যায়, বিত্তীয় অৱস্থা গঠন কৰিবলৈ সম্ভৱ হব পাৰে কেৱল তেনে উন্নয়নমুখী আঁচনিৰ দ্বাৰাহে। আমি কিন্তু যোৱা ছাবিশ বছৰে একোকেই কৰিব পৰা নাই। চেনী কল এটাও স্থাপন কৰিব পৰা নাই, যি এটা আছে তাতো নানান ধৰণৰ কেলেংকাৰী। এক লাখ বস্তা এবছৰত উৎপাদন কৰিব পাৰে যদিও এইবাৰ মাত্ৰ চল্লিশ হাজাৰ বস্তাহে চেনী উলিয়াবলৈ সমৰ্থ হৈছে। কিন্তু এই বিলাক কথা বাজেটত নাই। আমাৰ অৰ্থনৈতিক ক্ষেত্ৰত আমাৰ জীৱন ধাৰণৰ মানদণ্ডৰ ক্ষেত্ৰত ই এখন হতাশাজনক বাজেট। কিন্তু আমাৰ দেশৰ অৰ্থনৈতিক অনগ্ৰসৰতালৈ চাই আমাৰ বৰ্ত্তমান চৰকাৰে শক্তিশালী আঁচনি লৈ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে হলেও আঁচনি লৈ আগবাঢ়ি আহিব লাগিছিল দেশৰ অৰ্থনৈতিক বুনিয়াদ গঢ় দিবলৈ। কিন্তু বাজেটত তাৰ একে আভাস নাই, ই বৰ দুখৰ কথা। ইয়াৰ কাৰণেই আমাৰ অৰ্থনৈতিক বিপৰ্য্যয় ঘটিছে।

খনিজ সম্পদৰ ভিতৰত তেল কয়লা আদিয়েই প্ৰধান যদিও মাত্ৰ গুৱাহাটীত হে এটা ৰিফাইনাৰী প্ৰতিষ্ঠা কৰা হৈছে। সিও সম্পূৰ্ণৰূপ তেল উৎপাদন কৰিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰ অনুগ্ৰহ পোৱা নাই আৰু ফলস্বৰূপে তেল উলিয়াব পৰা নাই। অসমৰ তেলেৰে বাৰাউনিত তেল শোধানাগাৰ স্থাপিত হৈছে, অসমৰ খনিজ সম্পদ গৈ অসমৰ বাহিৰত কল-কাৰখানা তৈয়াৰ হৈছে। অমাৰ এজন মাননীয় সদস্যই কালি উল্লেখ কৰিছে যে আমাৰ ৰিফাইনাৰীত উৎপন্ন হোৱা গেচ বিলাক পুৰি পেলাই দিয়া হয়। কিয়নো আন আন কাৰিকৰী দিশত উন্নত দেশবোৰৰ নিচিনাকৈ আমাৰ দেশত সেই গেচবোৰৰ উপযুক্ত ব্যৱহাৰ কৰিব পৰা হোৱা নাই।

আমাৰ নাহৰকটীয়াত যি এটা এটা পেট্ৰোকেমিকেল কম্পপ্লেক্স স্থাপন কৰাৰ কথা আছিল কিমান দিন লাগিব, কেনেকুৱা ধৰণৰ হব, হবই নে নহবই তাৰো কোনো ইয়ত্বা নোহোৱা হৈছে। বঙ্গাইগাওঁত ৰেলৱে হেড কোৱাৰ্টাৰ এটা স্থাপন কৰাৰ কথা আছিল যদিও এতিয়াও সেই কামৰ কাৰণে মাটি আদি লোৱা নাই। আজি দুবছৰৰ পৰা বঙ্গাইগাওঁত এটা শোধানাগাৰ স্থাপন কৰাৰ কথা চলি আছে যদিও, নানান ধৰণৰ আন্দোলন হৈ গৈছে যদিও তাৰ কোনো সুস্থিৰ আঁচনি এতিয়াও লব পৰা নাই। আমাৰ ৰেল লাইন নাই। ইংৰাজৰ দিনত যিবিলাক ৰেল লাইন তৈয়াৰ হৈছিল সেই কেইটাই আজিও আছে। নতুনকৈ বঢ়াব পৰা নাই। এটা বিকল্প ৰেললাইন নগাওঁৰ পৰা উজনি অসমলৈ নিয়াৰ কথা আছিল যদিও আজিলৈকে সি কাৰ্য্যত পৰিণত হৈ উঠা নাই। ইয়াৰ কাৰণেও কেইবাবাৰো আন্দোলন আদি ৰাইজে কৰিছিল। মিটাৰ গজ ৰেল লাইনৰ ঠাইত ব্ৰডগজ ৰেল লাইন আজিলৈকে নহলত তাৰ কাৰণেও ৰাইজে কেইবাবাৰো আন্দোলন কৰিছিল। আজিও চৰকাৰৰ ফালৰ পৰা কোনো কাৰ্য্যকৰী ব্যৱস্থা আৰু ফলপ্ৰসু আঁচনি লোৱা হোৱা নাই। শিলঘাটত এখন দলং লাগে কিন্তু আজি ইমান বছৰে শিলঘাটৰ দলং খনেই নহল। চৰকাৰে যদিও ৰাইজৰ হেচাত পৰি বাধ্য হৈ কৈ আছে কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য পোৱা হব তথাপি তাৰো কোনো আশ্বাস নাই।

অসমৰ কাৰণে এনে কিছুমান আঁচনি লব লাগিব যাৰ দ্বাৰা আমাৰ দেশৰ কৃষিৰ বিকাশ সাধন কৰিব পৰা যায়। থলুৱা আঁচনিৰ দ্বাৰাহে এইটো সম্ভৱপৰ হব। আজিৰ খেতিৰ পদ্ধতিৰ কোনো সালসলনি হোৱা নাই। পুৰণি কালৰে পৰা চলি অহা প্ৰথাৰেই আজিও খেতি কৰি থকা হৈছে। খেতিৰ কাৰণে দৰকাৰ হলে পাওৱাৰ

কিলাৰ আদিও বহুবাব লাগে। কিয়নো জলসিঞ্চন ব্যৱস্থা নিখুঁত নহলে কৃষিৰ উন্নতি আশা কৰা মিছা। মাননীয় সদস্য শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য ই কালি এই বিষয়ে বহুখিনি কৈছে আমাৰ জলসিঞ্চন আৰু কৃষি বিভাগৰ মাজত থাকিবলগীয়া সংস্থা নোহোৱা কাৰণতেই কোনো কোনো ঠাইত যদিও টুকুৰা টুকুৰ ঠাই জলসিঞ্চনৰ কাৰণে লোৱা হৈছে তথাপিও তাৰ দ্বাৰা কোনো কাম হৈ উঠা নাই। ইয়াৰ মূলতে দুয়োটা বিভাগৰ মাজত থাকিবলগীয়া সমন্বয়ৰ অভাৱ। জলসিঞ্চনৰ যোগেদি পানী দিলে নহব যদিহে খেতি কৰিবলৈ কোনো আঁচনি আদি নাথাকে। উদাহৰণস্বৰূপে গোলাঘাট মহকুমাৰ সৰুপথাৰ অঞ্চলৈ আঙুলিয়াব পাৰি। তাত দ-নল-কুৱা আদিও বহুওৱা হৈছে যদিও খেতি কৰাৰ কাৰণে উৎসাহিত কৰিব পৰা নাই। যোৰহাটতো ঠিক একেই অৱস্থাই হৈছে। অ'ত ত'ত যিবিলাক পানী যোগান ধৰা হৈছে সেই বিলাক জলসিঞ্চন আৰু কৃষি বিভাগৰ মাজত সমন্বয় নথকাৰ দৰেই বিভিন্ন বিভাগৰ মাজত সমন্বয় নথকা বাবে কোনো কামত অহা নাই। আজি জলসিঞ্চন বিভাগৰ লগত কৃষি বিভাগৰ অথবা কৃষি বিভাগৰ লগত কো-অপাৰেটিভ বিভাগৰ কোনো সমন্বয় নাই। ইয়াৰ কাৰণেই আমাৰ আঁচনি বিলাক কৃতকাৰ্য্য হোৱা নাই। যিবিলাকে আঁচনি কৰে তেওঁবিলাকৰ আঁচনিৰ ভিতৰত সেই বিলাক কথা নোসোমায়।

গতিকে আজি আমাৰ এই অৱস্থা দূৰ কৰিবলৈ হলে খেতিৰ পদ্ধতি যি আমাৰ আজি শতকৰা ৮২ জন গাওঁত থাকে বা কৃষি কৰিছে সেই কৃষক সকলৰ উন্নতিৰ কাৰণে 'পাৱাৰ টিলাৰ' মেচিন, আওঁ পুৰণি নাঙল বাদ দি উন্নত ধৰণৰ নাঙল উদ্যোগ স্থাপন কৰিব পাৰিলে অসমত বিকাশৰ ক্ষেত্ৰত আমাৰ অৰ্থনৈতিক দুৰাবস্থা দূৰ কৰিব পৰা হব। ইয়াৰ বাহিৰেও আমি যি দেখিছো আমাৰ ৰাইজৰ অৰ্থনৈতিক অৱস্থা খোৱা পানীকে আৰম্ভ কৰি বিশেষ ব্যৱস্থা কৰিব নোৱাৰিলে আমাৰ উন্নতি নহয়। আমাৰ মিউনিচিপেলিটি নগৰ বিলাকত যি পানী যোগান ধৰিছে মেডিকেলি ফিলটাৰ্ড ওৱাটাৰ নহয়। আজিও আমাৰ ৰাইজে ভাল পানী খাব পোৱা নাই। এই আচনি আমাৰ চৰকাৰে এতিয়াও লব পৰা নাই। আমাৰ যিবিলাক ৰাষ্ট্ৰীকৃত বেঙ্ক যোৱা ৪ বছৰে এই বেঙ্ক বিলাকৰ পৰা অসমে কিমান টকা জমা পাইছে? এটা হিচাবত ১৯৬৯-৭০ চনৰ জুলাই মাহলৈ ৩৩ লাখ টকা জমা হৈছে আৰু তাৰে আপুনি শুনি আচৰিত হব মাত্ৰ ১৩ লাখ টকাহে বিনিয়োগ কৰা হৈছে। আৰু ইও মাত্ৰ বেপাৰী ধনী, মৰাপাট বেপাৰী সকলৰ কাৰণে নিয়োগ কৰিছে। জীৱন বীমা নিগমৰ যি হিচাব সেই

হিচাৱমতে অসমৰ স্থান তৃতীয়। জীৱন বীমা নিগমৰ ফালৰ পৰা যিমান টকা জমা হৈছে তাৰে এক পইছাও অসমত বিনিয়োগ কৰা নাই কাৰণ অসমত বিনিয়োগ কৰিব পৰাকৈ অসমে আচনি লব পৰা নাই। অলপতে জীবন বীমাৰ এজন উচ্চপদস্থ বিষয়া অসমলৈ আহোতে তেওঁ নিজে এই কথা ব্যক্ত কৰিছে ৰাজহুৱা ভাবে আৰু কাগজতো ওলাইছে তেখেতৰ মতে অসমৰ পইছা অসমত খটুৱাব পৰা কোনো আচনি নাই। ইয়াৰ বাহিৰেও এনে কিছুমান ধনৰ ব্যৱস্থা আছে যিবোৰৰ আচনি দেখুৱাব নোৱাৰা কাৰণে টকা ঘূৰাই দিব লগা হয়। মুখ্যমন্ত্ৰী শ্ৰীশৰত চন্দ্ৰ সিংহ ডাঙৰীয়াই গৰীবি হতাও আচনি লৈছে কিন্তু ইফালে গাওঁত এটা ভাল ৰাস্তা নাই, খোৱা পানীৰ অভাৱ, বাৰিষা বানপানীয়ে খেতি খাই আৰু খৰালি খৰাং বতৰৰ কাৰণে খেতি নহয়, এইবোৰ ব্যৱস্থাৰ কাৰণে আজিলৈকে চৰকাৰৰ কোনো বলিষ্ঠ আচনি দেখা পোৱা নাই।

Shri Dulal Chandra Barua : – Sir, may I with your permission raise an important issue. You are aware, Sir, that there is a demonstration going on in front of the Assembly House, and there has been a lathi charge on the demonstrators. I want to draw the attention of the Chief Minister. These people have every right to demonstrate before the Assembly, but why there should be lathi charge.

Shri Sarat Chandra Sinha (Chief Minister) :—I shall look into it.

শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা :– মাননীয় সদস্য সকলে উল্লেখ কৰি গৈছে যে আমাৰ অসমৰ উন্নয়নৰ প্ৰায়খিনি নগদ ধনেই বাহিৰলৈ ওলাই যায়। কেন্দ্ৰীয় চৰকাৰৰ হিচাৱমতে বছৰে ১০০ কোটি টকা ওলাই যায়। এইবোৰ নিয়ে ঠিকাদাৰ ব্যৱসায়ী সকলে গড়কাপ্তানি বিভাগৰ ঠিকা কৰিবলৈ আজি বাহিৰৰ ঠিকাদাৰ আহে, তেওঁলোকে তেনেকৈ মজদুৰ সকলো বাহিৰৰ পৰা আনিছে। আজি মাটিকটাৰ কাম কৰিবলৈকো বাহিৰৰ পৰা ঠিকাদাৰ আহিছে। অন্যান্য অনুষ্ঠান বিলাকত অসমৰ লোকে চাকৰী পোৱা দূৰৰ কথা মাটি কটা ঠিকাৰ কামটো কৰিবলৈকো অসমত মানুহৰ অভাব হ'ল নে ? আমাৰ গুৱাহাটীত লাহতী বুলি এটা উদ্যোগ আছে। তেওঁলোকে

দেখাত তেলৰ শিপো কৰিছে কিন্তু আনহাতে গড়কাপ্তানি বিভাগৰ ডাঙৰ ঠিকাবোৰ এওলোকেই কৰে।

(সময়ৰ সংকেট)

এই ডাঙৰ ডাঙৰ ব্যৱসায়ী সকলে প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ নিয়োগ হৈছে আৰু আচল লাভবান ঠিকা বিলাক তেওঁলোকেই কৰিছে। আনকি ৰাজধানীৰ নিচিনা ঠাইতো এই লোক সকলেই অগ্ৰাধিকাৰ পাইছে। মাটিকটা কামত কোনো কাৰী-কৰী বিদ্যাৰ দৰকাৰ নাই কিন্তু সেই কাম কৰিবলৈও বাহিৰৰ মানুহ আনিছে। যোৱা ২৬ বছৰে এই অৱস্থাৰ গতিৰোধ কৰিব পৰা নহ'ল। গতিকে মই আশাকৰো বৰ্ত্তমান এই চৰকাৰৰ দিনত অসমত এখন বলিষ্ঠ আচনি লব লাগে যাৰ দ্বাৰা ৰাইজৰ দুখদুৰ্গতি মোচন হব পাৰে।

এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ডাঃ ৰবীন গোস্বামী:— মাননীয় উপাধ্যক্ষ মহোদয় অসমৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী ডাঙৰীয়াই এই সদনৰ ১৯৭৩-৭৪ চনৰ কাৰণে বাজেট দাঙি ধৰি তাত অসমৰ যি অৰ্থনৈতিক চিত্ৰ দাঙি ধৰিছে, সেই চিত্ৰ আশাপ্ৰদ নহয় যদিও এই বাজেটত আমি দেখা পাওঁ যে আয়ৰ পৰিমাণ কম আৰু কোনো নতুন কৰ কাটল ধৰা হোৱা নাই, অসমৰ যিটো নকল ৰূপ সেই ৰূপ লুকুৱাই ৰাখিবৰ কোনো চেষ্টা কৰা নাই আৰু শিক্ষা আৰু বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত অধিক অৰ্থ মঞ্জুৰী দিয়াৰ ব্যৱস্থাৰ কাৰণে ধন্যবাদ জনাইছো।

এই বাজেটত নিবনুৱা সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু এই সমস্যা কেনেকৈ সমাধান কৰিব আৰু কেনেকৈ কাৰ্য্যকৰী কৰিব তাৰ কোনো স্পষ্ট ইঙ্গিত নাই। আজি অসমৰ নিবনুৱা সমস্যা, মূল্য বৃদ্ধি, জনসংখ্যা বিস্ফোৰণ, উদ্যোগৰ অভাৱ আৰু কৃষিৰ স্থবিৰতাৰ কাৰণে এক গভীৰ অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে। যেতিয়া পভাৰটি ইন ইনদিয়া কিতাপত প্ৰফেচৰ দণ্ডেকাৰে প্ৰকাশ কৰিলে যে অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৪৮ জন দৰিদ্ৰ সীমাৰেখাৰ তলত, তেতিয়াই মানুহ আতংকিত হৈছিল। এতিয়া ৰাষ্ট্ৰীয় নমুনা সমীক্ষাই ১৯৭০-৭১ চনৰ বাবে যি তথ্য দাঙি ধৰিছে সি আৰু আতংকজনক আৰু ভয় লগা। এই সমীক্ষা অনুসৰি অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৭৫ জনতকৈয়ো

অধিক লোক দৰিদ্ৰ সীমাৰেখাৰ তলত। এই তথ্যই প্ৰমাণ কৰে যে ৰাজ্যখনত আৰ্থিক অসমতা বৃদ্ধি পাইছে, দৰিদ্ৰতাই ভয়াবহ মূৰ্ত্তি ধাৰণ কৰিছে। আৰু অসম ভাৰতৰ তিনিখন দৰিদ্ৰতম ৰাজ্যৰ এখন। বিখ্যাত অৰ্থনীতিবিদ গুনা। মিদল'বে কৈছে 'এ পৰ বিকামচ পৰাৰ বিকজ হি ইজ পৰ'। ঠিক সেইদৰেই অসম দুখীয়া কাৰণেই আজি দুখীয়া হৈ গৈ আছে। ফলত অসম আজি দৰিদ্ৰতাৰ ভিচিয়াচ চাৰকুল বা দুষ্ট চক্ৰত সোমাই পৰিছে। জনসাধাৰণৰ এই দাৰিদ্ৰত সমাজবাদী অৰ্থনীতিৰ লগত কেতিয়াও খাপ খাব নোৱাৰে।

এই অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰ পাবলৈ আমি চেষ্টা কৰিবই লাগিব। নহলে অসমৰ সংহতি, সামাজিক আৰু ৰাজনৈতিক স্থিতি বিপন্ন হব আৰু তাৰ লগে লগে কিছু বিশৃংখলা আৰু অশান্তিৰ সৃষ্টি হব তাৰ কিছু কিছু পূৰ্বাভাস ইতিমধ্যে পোৱা গৈছে। চৰকাৰ সতৰ্ক নহলে সি ব্যাপক ৰূপ ধাৰণ কৰাৰ আশংকা আছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, বাহিৰত শিক্ষক সকলৰ ডেমনষ্ট্ৰেচন হৈছে। এই বিক্ষোভত মহিলা শিক্ষক সকলো আছে। এই শিক্ষক সকলৰ ওপৰত পুলিছে লাঠী চাৰ্জ কৰিছে আৰু এই লাঠি চাৰ্জৰ কথাটো মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : – সদন চলি থকা অৱস্থাতে পুলিছে বিক্ষাভকাৰী শিক্ষক সকলৰ ওপৰত মাৰপিত কৰাটো বৰ দুখৰ কথা ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এইটো চাম।

মি: ডেপুটি স্পীকাৰ :— তেখেতে চাম বুলি কৈছে।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মুখ্যমন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিয়া মাত্ৰ ৫ মিনিটহে হৈছে। ইতিমধ্যে তেওঁলোকৰ ওপৰত লাঠি চালনা হোৱাৰ কাৰণ কি? এই পুলিচৰ লাঠিচালনা সম্পৰ্কত চৰকাৰ পক্ষৰ পৰা কিবা নিৰ্দ্দেশ দিয়া হৈছেনেকি? পুলিচৰ লাঠীচাৰ্জ বন্ধ কৰাৰ কাৰণে চৰকাৰে নিৰ্দ্দেশ দিবনে?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):—মাননীয় উপাধ্যক্ষ মহোদয়, পুলিছে লাঠী চালনা কৰিছেনেকি এইটো চাবৰ কাৰণে ষ্টেট হোম মিনিষ্টাৰ তালৈ গৈছে আৰু তথ্য পাতি

সংগ্ৰহ কৰিছে। লাঠী চালনা কৰাটো পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াত আগতেও বিক্ষোভ প্ৰদৰ্শন হৈ গৈছে। সেই বিলাক শান্তিপুৰ্ণ ভাবেই হৈ গৈছে।

ডাঃ ৰবীন গোস্বামী :—অৰ্থনৈতিক উন্নয়নৰ কাৰণে মুলধনৰ প্ৰয়োজন। অসমত মুলধনৰ অভাৱ আৰু তাৰ এটা অন্যতম কাৰণ হল অসমৰ পৰা ধন বাহিৰলৈ ওলাই যায়।

অসমত জনসংখ্যা বৃদ্ধি হাৰ ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ বেচি আৰু কৃষিজাত সামগ্ৰীৰ উৎপাদন হাৰ ভাৰতবৰ্ষৰ ভিতৰতে কম। গতিকে এই বৃদ্ধিত জনসংখ্যাৰ কাৰণে খাদ্যৰ যোগান ধৰিব লাগে অসমৰ বাহিৰৰ পৰা খাদ্য আমদানি কৰি। ফলত বুজন সংখ্যক ধন বাহিৰলৈ ওলাই যায়। খাদ্যৰ উপৰি অন্যান্য সহস্ৰ ভোগ বস্তু আমদানি কৰিব লগা হোৱা কাৰণেও আৰু এক বুজন পৰিমাণৰ ধন অসমৰ পৰা ওলাই যায়। ৰিজাৰ্ভ বেংক আৰু উদ্যোগিক উন্নয়ন বেংকে ধৰি বিভিন্ন নিগমে যুটীয়াভাবে চলোৱা সমীক্ষাৰ প্ৰতিবেদনত কোৱা হৈছে যে ভাৰতৰ অইন ৰাজ্য বোৰৰ লগত অসমে বছৰি প্ৰায় ২০০ কাটি টকাৰ বেহা বেপাৰ কৰে আৰু এই বেহা বেপাৰত অসমৰ বছৰি ঘাটি হল ৫০ কোটি টকা। অসমত নতুন উদ্যোগ আদি গঢ়ি নুঠাৰ কাৰণে নতুন সামগ্ৰী ৰপ্তানি কৰিব পৰা নাই, অৰ্থাত আমাৰ ৰপ্তানিৰ ধাৰা আগৰ ৰূপতে আছে। আমি এতিয়াও চাহ, তেল মৰাপাট, বনজ সামগ্ৰীৰ ওপৰতে নিৰ্ভৰশীল হৈ আছো।

অসমৰ বাহিৰৰপৰা অহা লোকসকলে ইয়াৰ বেহা বেপাৰ হস্তগত কৰিছে। তেওঁলোকে যি দুই এটা উদ্যোগ পাতিছে সেই বিলাকত আৰু তেওঁলোকৰ বেপাৰ বাণিজ্যৰ কামত এই ৰাজ্যৰ লোকক নিয়োগ নকৰি নিজ নিজ অঞ্চলৰ লোকক নিয়োগ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অফিচ আৰু কাৰখানা সমুহতো থলুৱা লোকে চাকৰি নাপায়। ইয়াৰ ফলত অসমত নিবনুৱা সমস্যাই উৎকত ৰূপ ধাৰণ কৰিছে আৰু ইয়াত উৎপন্ন হোৱা জাতীয় আয়ৰ এক বৃহত অংশ অসমৰ বাহিৰলৈ ওলাই গৈছে। যাৰ ফলত এই ৰাজ্যৰ আৰ্থিক উন্নয়নৰ বাবে আৱশ্যকীয় পৰিমাণে মুলধন গঠন হব পৰা নাই। এজন অৰ্থনীতিবিদৰ মতে প্ৰতি বছৰে মাত্ৰ কেইমাহ মানৰ কাৰণে মাটি কটা কাম কৰিবলৈ প্ৰায় ১০ লাখ মানুহ বাহিৰৰ পৰা অসমলৈ আহে। গাইপতি যদি এশ টকাকৈয়া তেওঁলোকে ঘৰলৈ পঠায় তেনেহলে তেওঁলোকে অসমৰপৰা বছৰি ১০ কোটি টকা লৈ যায়।

সৰ্বভাৰতীয় মূল্য সূচীৰ তালিকা আৰু অসমৰ মুল্য সুচীৰ তালিকা দুয়োখন ৰিজাই চালে দেখা যায় যে সকলো বস্তুৰে মূল্য অসমত বহুত বেচি। ইয়াৰ ফলত অসমৰ মানুহে ভাৰতৰ আন অঞ্চলৰ তুলনাত বেচি গধুৰ বোজা বহন কৰিব লগা হৈছে। কৃষি প্ৰধান অঞ্চল হোৱা সত্বেও অসমত যোৱা বিশ বছৰত কৃষি উৎপাদন বৃদ্ধিৰ হাৰ ৪০ শতাংশ। এই সময় ছোৱাত সৰ্বভাৰতীয় বৃদ্ধিৰ হাৰ হল ৬৬ শতাংশ। তদুপৰি অসমত মাত্ৰ এবিধ শস্য ধানৰ ওপৰতে প্ৰাধান্য দিয়া হয়। শতকৰা ৭০ ভাগ মাটিত কেৱল ধান খেতি কৰা হয়। ফলত বেছি ভাগ খাদ্য শস্য ঘেহু, মাহ, দাইল, আলু, পিয়াজ আদি বাহিৰৰ পৰা আনিব লাগে। কিন্তু পৰনিৰ্ভৰশীল যোগান ব্যৱস্থাত মূল্য স্থিতি সম্ভৱ নহয়। সেই কাৰণে আভ্যন্তৰীণ যোগান সুস্থিৰ কৰিবলৈ এইবোৰ খাদ্য শস্যৰ উৎপাদন বৃদ্ধি হোৱা আচনি কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা লোৱা উচিত। তদুপৰি নিত্য ব্যৱহাৰ্য্য সামগ্ৰীসমূহ তৈয়াৰী কৰিবলৈ অসমত কল কাৰখানা নোহোৱাৰ কাৰণে ইয়াৰ যোগান ব্যৱস্থা সম্পূৰ্ণ অস্থিৰ। গতিকে মুল্যৰেখাও সদায়ে অস্থিৰ। অসমত বিভিন্ন সামগ্ৰীৰ চৰা দামে অৰ্থনৈতিক উন্নয়নৰ পথত ডাঙৰ প্ৰতিবন্ধকতা আৰু অন্তৰায়ৰ সৃষ্টি কৰিছে।

উপৰোক্ত কাৰণসমূহৰ কাৰণেই অসমত মূলধন গঠন হোৱা নাই, মূল্য ৰেখা সুস্থিৰ হৈ থকা নাই আৰু নিবনুৱাৰো সৃষ্টি হৈছে।

ক্ষীপ্ৰ উদ্যোগীকৰণ আৰু কৃষিৰ আধুনিকৰণৰ ওপৰতে অসমৰ ৰাজহ আয় বৃদ্ধি নিৰ্ভৰ কৰিছে। আমাৰ ৰাজ্যত থকা কেচামাল আৰু সম্পদৰ ওপৰত ভিত্তি কৰিয়েই শ্ৰমবহুল ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনত গুৰুত্ব দিব লাগে। এনে কৰিবলৈকে ৰাষ্ট্ৰীয় উদ্যোগিক আৰু ব্যাৱহাৰিক অৰ্থ-নীতি পৰিষদে পৰামৰ্শ দিছিল। কিন্তু দুখৰ বিষয় এই পৰামৰ্শ চৰকাৰে গাপ দি থোৱাহে দেখা গল। এই খিনিতে মোৰ এটা পৰামৰ্শ আছে থলুৱা উদ্যোগসমুহক উৎসাহ দিবৰ কাৰণে অসমত নিৰ্মিত সামগ্ৰী সমূহৰ ক্ষেত্ৰত কেন্দ্ৰীয় আবকাৰী শুল্ক পাচ শতাংশলৈ আৰু কেচা মালৰ ক্ষেত্ৰত দশ শতাংশলৈ হ্ৰাস কৰিব লাগে।

অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৯২ জন মানুহ গাৱত বাস কৰে আৰু অসমৰ অৰ্থনীতি হল কৃষি প্ৰধান। ১৯৭০-৭১ চনত অসমৰ জাতীয় আয় ৭৫১ কোটি

টকা আছিল, ইয়াৰে ৪৫০ কোটি টকা কৃষি খণ্ডৰ পৰা আৰু ৩২৯ কোটি টকা কেৱল কৃষিৰ পৰা পোৱা গৈছে। গতিকে অসমৰ অৰ্থনীতিত অইন সকলো খণ্ডতকৈ কৃষিৰ গুৰুত্ব বেছি। সেই কাৰণে কৃষিৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব। সেইখিনিৰ পৰা কৃষি পাম নিগম গঠণ, বানপানীৰ পৰা ৰক্ষা পাবলৈ শীতকালীন ৰবি শস্যৰ ব্যাপক প্ৰচলন আৰু জল সিঞ্চনৰ দ্বাৰা শস্য ক্ষেত্ৰ সম্প্ৰসাৰণত চৰকাৰে অধিক গুৰুত্ব 'দয়া প্ৰসংসনীয় কাম হৈছে।

কৃষিৰ আধুনিকীকৰণৰ লগে লগে ভূমিসংকৰণৰ কামো ক্ষিপ্ৰ গতিৰে সম্পন্ন কৰিব লাগিব। তাকে নকৰিলে মুঠ উৎপাদন বৃদ্ধি হলেও তাৰ যি ফল, সেই ফল সমভাবে বিতৰণ নহব আৰু তাৰ ফলস্বৰূপে খেতিয়ক শ্ৰেণীৰ মাজত অৰ্থ-নৈতিক বৈষম্য বৃদ্ধি পাব। ভূমি সংস্কাৰৰ ক্ষেত্ৰত আইন পাছ কৰা হৈছে। আইন পাছ কৰাটো সহজ কাম কিন্তু তাক বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰাটোহে কঠিন কাম। এই ক্ষেত্ৰত বিখ্যাত অৰ্থনীতিবিদ জ্ঞান চান্দে "মেইনষ্টীম" আলো-চনীত লিখা এষাৰ কথা প্ৰণিধান যোগ্য।

"The rural rich are once more going to rally their forces to defeat radical land laws & it is absolutely essential that the landless labourers and small peasants should be made fully aware of the necessity of rallying their forces against their age old masters and exploiters."

Shri Sarat Chandra Sinha (Chief Minister): Mr. Deputy Speaker, Sir, may I interrupt? Just now I have collected the information so far as the lathi-charge is concerned. There was no lathi-charge on the Satyagrahi teachers. As the Satyagrahis were trying to get into the Assembly Premise by force, they were simply resisted and pushed back. I hope, so, the Satyagrahis will behave like Satyagrahis.

Dr. Robin Goswami: "Unless they organise themselves to meet this challenge the new land laws will remain as

paper land laws and their position would be if anything actually worse"

কৃষিৰ আধুনিকীকৰণৰ দ্বাৰা উৎপাদন বৃদ্ধি আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা এই দুয়োটাৰ কাৰণেই প্ৰগতিশীল ভূমিসংস্কাৰ অপৰিহাৰ্য।

জলসিঞ্চন আধুনিকীকৰণৰ ক্ষেত্ৰত জলসিঞ্চনৰ ওপৰতে আটাইতকৈ অধিক গুৰুত্ব আৰোপ কৰিব লাগিব। জলসিঞ্চনৰ কাৰণে টিউব ওৱেল ব্যৱহাৰ কৰিব লাগিব। কিন্তু দুৰ্ভাগ্য বশতঃ অসমৰ মাটিৰ তলৰ পানীৰ কোনো হাইড্ৰলজিকেল মানচিত্ৰ আজিলৈকে হোৱা নাই। ইয়াৰ ফলত অবৈজ্ঞানিক ভাবে যধে-মধে টিউব ওৱেল ব্যৱহাৰত অজস্ৰ টকাৰ অপচয় হৈছে

টিউ ওৱেল চলাবলৈ, জলসিঞ্চন কাৰ্য্যকৰী কৰিবলৈ বিজুলি শক্তি লাগে। উদ্যোগীকৰণৰ কাৰণেও বিজুলি শক্তি অপৰিহাৰ্য। কিন্তু স্বাধীনতাৰ পিচত ভাৰতৰ আন ৰাজ্যবোৰৰ লগত অসমৰ বিদ্যুত উৎপাদন আৰু প্ৰসাৰ তুলনা কৰিলে আতংকিত হব লাগে এতিয়ালৈকে কেৱল মাত্ৰ শতকৰা ৩.৩খন গাৱঁত বৈদ্যুতিকৰণ হৈছে। আনহাতে দি হাৰিয়ানাকে ধৰি দুখনমান ৰাজ্যত শতকৰা ১০০ খন গাৱঁত বিজুলি শক্তি যোগান ধৰা হল। জলসিঞ্চনৰ কাৰণে অসমত কেৱল মাত্ৰ শতকৰা ০.১ ভাগ বিজুলি শক্তি যোগান ধৰা হল ব্যৱহাৰ কৰা হয়। ভাৰতৰ মুঠ বিদ্যুত শক্তি উৎপাদন কেৱল মাত্ৰ শতকৰা ১.১ ভাগহে অসমত উৎপাদিত হয়। অথচ ভাৰতৰ মুঠ জলবিদ্যুত উৎপাদন ক্ষমতাৰ শতকৰা ৩০ ভাগ অসমতে আছে। নদীৰ পানীৰ পৰাই সস্তীয়া বিদ্যুত উৎপাদন কৰিব পাৰি। কিন্তু অসমৰ পানীৰ শতকৰা দুই ভাগহে এই কামত ব্যৱহাৰ কৰা হয়। বাকী ভাগ পানীয়ে বানপানী ৰূপে ক্ষতিসাধন কৰে আৰু অপচয় ঘটে। জলবিদ্যুত উৎপাদন আৰু জলসিঞ্চন একে লগে হব পাৰে আৰু তেনে পৰিকল্পনা লাভজনকো হয়।

সংযোগ আৰু যাতায়াত ব্যৱস্থাৰ উন্নতি হলেহে আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি উঠিব পাৰে। দেশৰ বাকী অংশৰ লগত ব্ৰডগজ ৰেলৰ সুযোগ আধা দুখৰীয়া কাৰণেই

অসমৰ পৰিবহন উন্নত হোৱা নাই। অসমত ৰেলৰ দৈৰ্ঘ হল গোটেই ভাৰতৰ ৰেলৱেৰ ৩৮ শতাংশ। অসমত প্ৰতি হাজাৰ বৰ্গ কিলোমিটাৰত ব্ৰডগজ ৰেলৱেৰ দীৰ্ঘতা হল ০·৮ কিলোমিটাৰ। সৰ্বভাৰতীয় হাৰ হল ৭·৯ কিঃ মিঃ। অসমত প্ৰতি লাখ লোকৰ মাজত স্থল পথৰ দৈৰ্য্য হল ৩৭ কিঃ মিঃ। সৰ্বভাৰতীয় গড় হৰ ৫·৬ কিঃ মিঃ গতিকে স্থলপথ আৰু ৰেলৱে দুয়োটাতে অসম পিচপৰা। যেতিয়ালৈকে কম খৰচৰ যাতায়াত ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে কৰিব নোৱাৰে তেতিয়ালৈকে অসমৰ নতুন উদ্যোগ, উদ্যোগীক প্ৰতিষ্ঠানবোৰৰ নিমিত্তে বৰ্তমান দিয়া ৫০ শতাংশ পৰিবহন সাহাৰ্য্য আশী শতাংশলৈ বৃদ্ধি কৰিব লাগে।

ৰঙিয়াত আজি পৰ্য্যন্ত ৰেলৱেৰ ডিভিজনেল কাৰ্য্যালয় হৈ নুঠিল। এাদন অসমৰ ৰাইজে ইয়াৰ কাৰণে আন্দোলন কৰিছিল আৰু সেই আন্দোলনত নেতৃত্ব দিছিল মাননীয় শৰত সিংহ ডাঙৰীয়াই।

অসমৰ প্ৰধান সমস্যা হৈছে অৰ্থনৈতিক উন্নয়ন। ইয়াৰ কাৰণে উন্নয়নমূলক কাৰ্য্যত অধিক ধন বিনিয়োগৰ আৱশ্যক হৈছে। বে-চৰকাৰী খণ্ডত অসমত খটুওৱা মূল ধনৰ পৰিমাণ বেছি নহয়। প্ৰথম দুটা পৰিকল্পনাৰ কামত অসমত বে-চৰকাৰী খণ্ডত খটুওৱা মূল ধন হল ১৫০ কোটি টকা। তৃতীয় পৰিকল্পনাত ১৩৬ কোটি টকা, চতুৰ্থ পৰিকল্পনাৰ কালত এই পৰিমাণ কিমান তাক সঠিক ভাবে কব নোৱাৰি। ১৯৬৮ চনলৈকে কেন্দ্ৰীয় চৰকাৰে অসমৰ চৰকাৰী খণ্ডত নিয়োগ কৰা ধনৰ পৰিমাণ হল ৪০·২ কোটি টকা। এয়া হৈছে কেন্দ্ৰীয় চৰকাৰে অন্যান্য ৰাজ্যত খটুওৱা সৰ্বমুঠ টকাৰ শতকৰা ১·৬ ভাগ।

(ক) বিভিন্ন প্ৰতিষ্ঠানে অসমলৈ আগবঢ়োৱা বিত্তীয় সাহাৰ্য্যৰ পৰিমাণ তেনেই কম। ভাৰতৰ উদ্যোগিক উন্নয়ন বেংকে অসমত মুঠ নিয়োজিত ধনৰ শতকৰা ০·১০ ভাগ, এগ্ৰিকালচাৰেল ৰি-ফাইনেন্স কৰ্পৰেচনে শতকৰা ২·২৮ ভাগ ধনহে দিলে।

(খ) ভাৰতীয় জীৱন বীমা নিগমে (এল আই চি) এই অঞ্চলৰ পৰা বছৰে ৮ কোটি টকা পায়। কিন্তু ইয়াত খটুওৱা তেওঁলোকৰ টকাৰ পৰিমাণ গোটেই দেশৰ ভিতৰতে কম। তদুপৰি চৰকাৰী খণ্ডৰ বিদ্যুত বৰ্ড, অসম বিত্ত নিগম আৰু চৰকাৰী গৃহ নিৰ্মান আচঁনিতহে টকা খটুৱাইছে। আন ৰাজ্যৰ দৰে উদ্যোগিক খণ্ডত

ৰিনিয়োগ কৰা নাই। তলপতে এল আই চিৰ মেনেজিং ডিৰেক্তৰ অসমলৈ আহোঁতে সাংবাদিক মেলত কৈছিল যে জীৱন বীমা নিগমে ধন খটুৱাৰ পৰা কোনো আচঁনি অসম চৰকাৰে তেওঁলোকক দিয়া নাই। এইটো এটা গুৰুতৰ কথা। এই ক্ষেত্ৰত চৰকাৰ অধিক সক্ৰিয় হব বুলি আশা কৰিলো।

(গ) বেংক সমূহ বিভিন্ন প্ৰকাৰে ঋণ আৰু সাহাৰ্য্য দি অৰ্থনৈতিক আৰু উদ্যোগিক উন্নয়নত যথেষ্ট বৰঙনি যোগাব পাৰে। এই অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজ এতিয়াও বেংকৰ ভূমিকা সম্পৰ্কে বহু পৰিমাণে অজ্ঞাত। ৰাষ্ট্ৰীয়কৃত বেংক সমূহে প্ৰধানকৈ খেতিয়ক উদ্যোগিক নিবনুৱা আৰু সৰু সৰু উদ্যোগক ঋণ দি তেওঁলোকক মূল ধন গঠনৰ কামত সহায় কৰাৰ নীতি লৈছে। পিছে এই উদ্দেশ্য সফল হৈছে নে? সৰু সুৰা খেতিয়ক নকল যি সকলৰ বাবে ঋণৰ প্ৰয়োজন সৰ্বাধিক তেওঁলোক কিমান উপকৃত হৈছে? ভিতৰুৱা অঞ্চলৰ সৰু-সুৰা দোকানিয়ে ঋণ পাইছে, উদ্যোগ স্থাপনৰ বাবে আগবাঢ়ি অহা কেইজন নিবনুৱাই ঋণ পাইছে?

১৯৭২ চনৰ জুন পৰ্য্যন্ত অসমৰ ১৪ টা ৰাষ্ট্ৰীয়কৃত বেংকত জমা থকা মুঠ টকাৰ পৰিমাণ হল ৪৪ কোটি টকা। আৰু সেই সময়ছোৱালৈকে আগবঢ়োৱা ঋণৰ পৰিমাণ হল ১৯ কোটি টকা। এয়া সৰ্বমুঠ জমাৰ ৪৩ শতংশ, অৰ্থাৎ অসমত জমা হোৱা টকা ইয়াৰ পৰা বাহিৰলৈ নি বেংকবিলাকে নিজৰ পচন্দ হোৱা অঞ্চলত খটুৱাইছেগৈ। তদুপৰি বেংক সমূহে আটাইতকৈ বেছি ঋণ আগবঢ়াইছে বেপাৰ বাণিজ্যৰ প্ৰতি। এই বেপাৰ-বাণিজ্যত একচেটিয়া আধিপত্য চলাই আহিছে মুষ্টিমেয় কেইজনমান বেপাৰীয়ে। বেংকৰ ঋণৰ সুবিধা লৈ এই বেপাৰী সকলে বস্তু মজুত ৰাখি আৰু সময়ে সময়ে কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি বস্তুৰ মূল্য বৃদ্ধি কৰি ৰাইজক শোষণ কৰে। শোষণৰ এই সুবিধা যোগাইছে আমাৰ অৰ্থৰে পৰিপুষ্ট এই বেংক বিলাকে। ৰাষ্ট্ৰীয়কৃত বেংক সমূহৰ উদ্যেশ্য সফল হবলৈ হলে (১) অধিক সংখ্যক শাখা খুলিব লাগিব (বৰ্তমান অসমত জনসংখ্যা অনুপাতে)।

অধ্যক্ষ মহোদয়, ইয়াত অধিক সংখ্যক শাখা খুলিব লাগিব। বৰ্ত্তমান অসমত জনসংখ্যা অনুপাতে ৮০০০০ হাজাৰ লোকৰ মাজত এটা বেংক অফিচ আৰু সৰ্ব্বভাৰতীয় হাৰ হল ৩ হাজাৰৰ মাজত এটা অফিচ। অসমত থকা বেংক অফিচ সৰ্ব্বভাৰতীয় ঠমু সংখ্যাৰ শতকৰা মাত্ৰ (১.১ ভাগ)। (২) দ্বিতীয়তে বেংকৰ

কৰ্মীসকলে উন্নত ভূমিকা লব লাগিব। মোৰ চৰকাৰৰ ওচৰতো এটা পৰামৰ্শ আছে। পঞ্চম পৰিকল্পনাৰ কালছোৱাত চৰকাৰে এনে কিছুমান আকৰ্ষণীয় আচনি যুগুত কৰা উচিত যি বিলাক আচনি অৰ্থনৈতিক ভাৱে উন্নয়নমুখী, উৎপাদন-মুখী আৰু লাভজনক হব এই আচনিবোৰ কাৰ্য্যকৰি কৰিবলৈ পৰিকল্পনা খাতৰ টকা ব্যয় নকৰি কেৱল বেংক সমূহৰ পৰ অৰ্থ সাহায্য লব লাগে। এই আচনিবোৰক পৰিকল্পনাৰ কালছোৱাৰ অন্তৰ্গত কিন্তু পৰিকল্পনা ব্যয় বহিভূ‍ৰ্ত বেংকেবুল প্ৰজেক্ট আখ্যা দিব পাৰি।

মহোদয় অসমত জনমুৰি কৰৰ বোজা হল ২৫ টকা। ১৯৫০ ৫১ চনৰ তুলনাত অসমত ভূমি ৰাজহ চাৰিগুণ বৃদ্ধি পাইছে। বিক্ৰী কৰ আঠৈগুণ বৃদ্ধি পাইছে। অনুন্নত অৱস্থাৰ কাৰণে আৰু সাধাৰণ মূল্যমান উচ্চ হোৱাৰ কাৰণে অসমত নতুন কৰ লগোৱাৰ স্থল অতি সীমাবদ্ধ। কিন্তু যিবোৰ কৰকাটল লগোৱা হৈছে তাৰ পৰা আয়ৰ পৰিমাণ বৃদ্ধি কৰিব। প্ৰশাসনীয় শিথিলতা আৰু দায়িত্ব-হীনতাৰ কাৰণে কেইবা কোটি টকাৰ কৰ আদায় নোহোৱা অৱস্থাত আছে আৰু বছৰি বছৰি এনে অনাদায় কৰৰ পৰিমাণ বেছি হৈ গৈছে। এই অনাদায় কৰবোৰ শীঘ্ৰে সংগ্ৰহ কৰাৰ ব্যৱস্থা লোৱা উচিত। লগতে কৰ ফাকি দিয়া বন্ধ কৰিব লাগিব। অসমে মৰাপাটৰ ওপৰত লগোৱা ক্ৰয়কৰ বা পাৰচেজ টেক্সও হেৰুৱাই আছে।

চৰকাৰী ভৰালৰ পৰা বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিক দিয়া ঋণৰ পৰিমাণ যথেষ্ট বৃহত। অকল বিদ্যুত বৰ্ডে চৰকাৰক সূতে মূলে ১০০ কোটি টকাতকৈও অধিক টকা দিবলৈ আছে। বৃত্তিয় নিগম আৰু সমবায়ক দিয়া টকাৰ পৰিমাণ ১০ কোটিতকৈ অধিক। মই জনাত এই বাবদ চৰকাৰে মূলধন সূত একো পোৱা নাই। এইবোৰ পৰিশোধ কৰাৰ ব্যৱস্থা লব লাগে।

মহোদয়, চৰকাৰী খণ্ডত অপচয় বন্ধ কৰাৰ প্ৰশাসনীয় ব্যয় হ্ৰাস কৰাৰ আৰু চৰকাৰী অফিচত নানা নিগমত মিতব্যয়িতা কৰাৰ যথেষ্ট থল আছে। উদাহৰণ স্বৰূপে গড়কাপ্তানী বিভাগৰ যান্ত্ৰিক শাখা আৰু কৃষি আদি বিভাগত এশ কোটিতকৈও অধিক মূল্যৰ যন্ত্ৰপাতি অকামিলা হৈ পৰি আছে। ই এটা ক্ষমাহীন অপচয়। প্ৰফুল্ল বৰুৱাৰ তদন্ত আয়োগৰ প্ৰতিবেদন মতে ১৯৭০ চন

পৰ্য্যন্ত ৰাজ্যিক বিদ্যুত বৰ্ডৰ সৰ্বমুঠ লোকচান আছিল ২১ কোটি ৮৭ লক্ষ টকা। এনেবোৰ অন্তহীন অপচয়, অপব্যয় বন্ধ কৰিবই লাগিব। এই ক্ষেত্ৰত প্ৰশাসনীয় শিথিলতা কমাবলৈ চৰকাৰ অধিক তৎপৰ নোহোৱাতো অতি পৰিতাপৰ কথা।

মহোদয়, ৰাজ্যিক খণ্ডত স্থাপন কৰা অনুষ্ঠান সমূহ যেনে, বিদ্যুত বৰ্ড, পৰিবহন নিগম, উদ্যোগ উন্নয়ন নিগম আদি যাতে আৰ্থিক ভাবে ফলদায়ক হয় তাৰ প্ৰতি চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে। প্ৰায় প্ৰত্যেকটো চৰকাৰী প্ৰকল্পত লাভতকৈ লোকচান বেচি আৰু তাৰ প্ৰধান কাৰণ হল পৰিচালনা। যেতিয়ালৈকে চৰকাৰী শিল্প ব্যৱসায়ত সু-পৰিচালনাৰ ব্যৱস্থা কৰা নহয়, তেতিয়ালৈকে চৰকাৰী উন্নয়ন প্ৰচেষ্টা সফল হব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে যি বিত্তীয় অনুদান আৰু সাহায্যৰ ক্ষেত্ৰত অসমৰ প্ৰতি যে যথোচিত সুবিচাৰ কৰা নাই সেই কথা নুই কৰিব নোৱাৰি। তেওঁলোক উদাৰ হোৱাৰ কথা বাদেই দিলো কেইটামান বিষয়ত আমাৰ নাৰ্য্য প্ৰাপ্যখিনিও পূৰণ কৰা নাই।

(ক) খাৰুৱা তেলৰ ৰয়েলটি : কেন্দ্ৰীয় চৰকাৰে খাৰুৱা তেলৰ ৰয়েলটি প্ৰতি টনত ১০ টকাৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰিছে। কিন্তু মই দাবী কৰো ইয়াক ২০ টকালৈ বৃদ্ধি কৰিব লাগে।

(১) প্ৰথম কাৰণ : ১৯৩০ চনতে বৃটিছ চৰকাৰে প্ৰতি টনত ১০ টকাকৈ দিছিল আৰু সেই সময়ৰ তুলনাত আজি টকাৰ মূল্য আধাতকৈও হ্ৰাস পাইছে।

(২) দ্বিতীয়তে বৰ্ত্তমান আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য অত্যাধিক বৃদ্ধি পাইছে।

(৩) তৃতীয়তে তেল এটা ক্ষয়িষ্ণু সম্পদ। ই নিঃশেষ হৈ গলে অসম চিৰদিনৰ কাৰণে তাৰ সুফলৰ পৰা বঞ্চিত হব।

(খ) কেন্দ্ৰীয় অনুদান : অসমৰ দৰে কম ৰাজহ থকা ৰাজ্যৰ পক্ষে উন্নয়ন মূলক কামৰ বাবে কেন্দ্ৰৰ অনুদান অতীৱ প্ৰয়োজন। বৰ্ত্তমান ষষ্ঠ বিত্ত কমিচনৰ কাম চলি আছে। এই কমিচন যদি সদয় নহয় তেনেহলে অসমৰ

অৰ্থসংকট নুগুছে। ষষ্ঠ কমিচনৰ প্ৰতিবেদনতো যদি সেই অতীত ইতিহাসৰ পুনৰাবৃত্তি ঘটে তেনেহলে অসমৰ উন্নয়ণৰ প্ৰায় সকলো প্ৰয়োগেই ব্যৰ্থ হৈ যাব। বৰ্ত্তমানৰ বাস্তৱ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বিভাজন যোগ্য কৰ বিতৰণ নীতিৰ এটা পৰিবৰ্ত্তন অতি প্ৰয়োজনীয় হৈ পৰিছে।

(গ) ৰাজ্যিক চৰকাৰৰ ঋণ: ৰাজ্যিক চৰকাৰে পৰিশোধ কৰিব লগা ঋণ আৰু সুতৰ বোজা বহুতো বেছি। ১৯৫২ চনত ৰাজ্যখনৰ মুঠ ঋণ আছিল ২·৮ কোটি টকা। এতিয়া ২০ বছৰ পাচত হলগৈ ৪২১·৬৪ কোটি টকা। ৰাজ্যিক চৰকাৰৰ ধাৰ প্ৰতি বছৰে শতকৰা প্ৰায় ১৬৫ ভাগকৈ বৃদ্ধি হৈছে। অসমৰ জনসংখ্যা এক কোটি ছিয়াল্লিচ লক্ষ। সেই হিচাবত জনমুৰি ভাৱে প্ৰত্যেকজন অসম বাসীয়ে ২৮৮·৭ টকা ধাৰ মাৰিব লাগিব।

এই ধাৰৰ বোজা কমাবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তিনিটা বিষয়ত গুৰুত্ব দিয়া উচিত (১) যিবোৰ আঁচনিত ঋণৰ টকা খটুৱাৰ বাবদ কোনো আৰ্থিক প্ৰতিদান আধা কৰিব নোৱাৰি আৰু তাৰ বাবদ ঋণৰ টকা নুঠে তেনেবোৰ ঋণক অনুদান হিচাবে গণ্য কৰিব লাগে। যেনে স্কুলঘৰ নিৰ্ম্মাণ, হস্পিটাল আদিত ব্যয় হোৱা টকা। কেন্দ্ৰৰাজ্য আৰ্থিক সম্পৰ্ক, বিষয়ক শীতল-বাদ কমিটিয়েও একেটা পৰামৰ্শকে দাঙি ধৰিছে। (২) দ্বিতীয়তে যিবোৰ ক্ষেত্ৰত ঋণৰ টকা বিনিয়োগ কৰি আৰ্থিক প্ৰতিদান পাবলৈ বেছ কিছু সময় লাগে সেইবোৰ ক্ষেত্ৰত ঋণ পৰিশোধ কৰা সময় বঢ়াই দিব লাগে, যেনে জলসিঞ্চনত কৰা ব্যয় (৩) তৃতীয়তে সুতৰ হাৰ কমাই দিব লাগে।

এই ক্ষেত্ৰত এটা অতি আচৰিত কথালৈ মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। যি স্থানত একে বিধৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ কাৰণে কেন্দ্ৰই বহন কৰা ব্যয়ভাৰ মঞ্জুৰী বুলি ধাৰ্য্য কৰা হয়, সেই একেবিধ কামৰ কাৰণে ৰাজ্য চৰকাৰ সমূহে কেন্দ্ৰীয় অৰ্থনৈতিক সাহায্যৰ পৰা বহন কৰা ব্যয়ভাৰ থকা বুলি গণ্য কৰা হয়।

পৰিবৰ্ত্তিত অৱস্থাত কেন্দ্ৰ ৰাজ্যসমূহৰ অৰ্থসম্পৰ্কৰ পূৰ্ণ মূল্যায়ন অপৰিহাৰ্য্য হৈ পৰিছে।

কেন্দ্ৰীয় কৰ আৰু শুল্কৰ বাবদ চলিত বছৰত অসমক ২৪ কোটি ৮৬ লক্ষ টকা দিয়ে। ইয়াৰ বাবদ ১৯৭৩-৭৪ চনৰ কাৰণে কেন্দ্ৰীয় বাজেটত ২৬ কোটি ৫২ লক্ষ টকা কাৰ্য্যকৰী কৰা হৈছে। অথচ বিভিন্ন শিতানত বৰ্ত্তমান অসমে প্ৰতি বছৰে কেন্দ্ৰীয় চৰকাৰক ৩৬ কোটি ৫ লক্ষ টকা দিয়ে।

১৯৬৯ চনৰ ডিচেম্বৰ মাহৰ আগভাগত অসমৰ ৰাইজৰ নায্য দাবীৰ প্ৰতি সহাৰি জনাই শ্ৰীমতী ইন্দিৰা গান্ধীয়ে সংসদত অসমৰ সামগ্ৰিক উন্নয়নৰ এক আঁচনি দাঙি ধৰিছিল। এই আঁচনিখন যাতে ক্ষিপ্ৰতাৰে কাৰ্য্যকৰী কৰা হয় তাৰ প্ৰতি চকু ৰাখিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

প্ৰশাসন ব্যৱস্থাঃ শেষত এটা কথাৰ প্ৰতি মই চৰকাৰৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। চৰকাৰৰ নীতি আৰু আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ প্ৰশাসন যন্ত্ৰ সৎ আৰু সুদক্ষ হব লাগিব। দূৰ্নীতিৰ ফলত কোটি কোটি টকাৰ অপব্যয় হয়। আমাৰ অসমৰ নিচিনা দুখীয়া ৰাজ্য এখনৰ সীমিত সম্পদৰ এইদৰেই অপচয় ঘটিছে আৰু অসমৰ অৰ্থনৈতিক উন্নয়ন বহু পৰিমাণে ব্যাহত হৈছে। প্ৰশাসন যন্ত্ৰ দূৰ্নীতিমুক্ত হলেই ৰঙা ফিটাৰ দৌৰাত্ম্য কমিব, ফাইলৰ গতি বৃদ্ধি পাব আৰু প্ৰশাসন যন্ত্ৰ প্ৰগতিশীল হৈ উঠিব।

প্ৰশাসনীয় শিথিলতাৰ এটা উদাহৰণ দিব খুজিছো। ১৯৬৯-৭০ চনত অসমত ঘেহু খেতিয়ে সামৰা মাটিৰ চৰকাৰীভাৱে যি হিচাব দিয়া হৈছে তাৰ গুৰুত্বৰ গড়মিল আছে। ইকনমিক চাৰ্ভেত দিছে ৯০০০ হেক্টৰ মাৰ্চ টু প্ৰগ্ৰেচত দিছে ১২০০০ হেক্টৰ আৰু কৃষি নিৰ্দেশিকাত দিছে ১৬০০০ হেক্টৰ। এনে ধৰণৰ গড়মিল থকা ভুল তথ্যৰ ওপৰত কেনেকৈ নিখুত আঁচনি তৈয়াৰ কৰিব পাৰি। প্ৰশাসনীয় সংস্কাৰ দুৰ্নীতি দমন এইবোৰ কাম ধনৰ অভাব এই অজুহাত দি পেলাই থোৱা কাম নহয়। এইবোৰ কাম কৰিব নোৱাৰিলে চৰকাৰৰ অযোগ্যতাহে প্ৰমাণিত হব আৰু জনসাধাৰণে ভাবিবলৈ বাধ্য হব যে এইবোৰ বিষয়ত আন্তৰিকতা নাই। প্ৰশাসনীয় সংস্কাৰ আৰু দুৰ্নীতি দমন এইবোৰ কাম ধনৰ অভাৱত পেলাই থোৱা কাম নহয় এইবোৰ কাম কৰিব নোৱাৰিলে চৰকাৰৰ অযোগ্যতাহে প্ৰমাণিত হব।

১৯৬৯ চনৰ ২১ মে তাৰিখে নীলাচলত মাননীয় শৰৎ চন্দ্ৰ সিংহই লিখিছিল

"সমাধান বিচাৰিছো কিন্তু আমোলাতন্ত্ৰ আৰু দুৰ্নীতিৰ চক্ৰৰ তলত নিষ্পেষিত হৈ অন্ধকাৰ দেখিছো পথ বিচাৰি পোৱা নাই" তেতিয়া তেখেত মুখ্যমন্ত্ৰী নাছিল। কিন্তু আজি তেখেত অসমৰ মুখ্যমন্ত্ৰী দলৰ অবিসম্বাদী নেতা। তেখেতে আজি দুৰ্নীতি আৰু আমোলাতন্ত্ৰৰ পৰা জনসাধাৰণক ৰক্ষা কৰিবলৈ সম্পূৰ্ণ সুযোগ পাইছে। এই সুযোগৰ পৰিপূৰ্ণ ব্যৱহাৰ তেখেতে কেনেকৈ কৰে তাৰ প্ৰতি অসমৰ দুখীয়া ৰাইজে ব্যাকুল আগ্ৰহেৰে বাট চাই আছে। মনত ৰখা উচিত ইতিমধ্যে দেড় টা বহুমূলীয়া বছৰ পাৰ হৈ গল।

Shri Dulal Chandra Barua:—Sir. a serious situation has taken place in front of the Assembly. Lathi charge has been made on the teachers. and 4 persons have received serious injury. We have pacified one side, but at the other side heavy lathi charge has been made. I want to know from the Chief Minister whether he has issued any instruction for heavy lathi charge. Instead of giving them food Government is beating them with lathi ?

Shri Sarat Chandra Sinha, Chief Minister—I have said, Sir, that no lathi charge has been made.
( Voice from the entire Opposition : You can go and see the injured persons who are having bleeding injuries )

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী :— উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ সহকাৰী মন্ত্ৰী শ্ৰীশইকীয়াক পঠোৱাৰ প্ৰায় ২৫ মিনিট সময়ৰ আগতেই আমাৰ সন্মুখত পুলিছে লাঠি চাৰ্জ কৰিছে। এতিয়াও বহু কেইজন ঘাইল হৈছে আৰু তাৰ ভিতৰত দুজনৰ অৱস্থা সাংঘাটিক। এজন শিক্ষক মৰিলে আন এজন নৌউপজিব - সেই কথা নুবুজাকৈয়ে মুখ্যমন্ত্ৰী ডাঙৰীয়াই লাঠি চাৰ্জ হোৱা বুলি কিয় কৈ আছে ?

Shri Dulal Chandra Barua—You can go and see Sir. We can also take the Chief Minister.

শ্ৰীসোনেশ্বৰ বৰা :— পুলিছ সকলে বিধান সভাৰ সন্মুখতেই শিক্ষকসকলৰ ওপৰত

লাঠিচাৰ্জ কৰিছে আৰু শিক্ষক সকলক জন্তুৰ দৰে ব্যৱহাৰ কৰিছে সাত জন জনৰ জীৱন মাটিত বাগৰি পৰিছে আৰু তাৰে দুজনৰ মৃত্যুপ্ৰায় অৱস্থা।

Shri Dhruba Narayan Barua : Mr Deputy Speaker, Sir, I congratulate our Finance Minister for presenting the Realistic Budget before the House. I also congratulate him for sparing the poor people from taxation. But our friends on the other side of the House who have just now left the House vehemently criticised the Budget as a most unrealistic one. Well, to criticise and not to work is the privilege of the opposition but we in this side of the House have the Right and duty to work, and therefore, when we want to work we must be realistic to the present grim financial condition of the State. Had the financial condition been better, it would have been possible to present a better Budget. Sir, from the Budget speech of the Finance Minister I have just now found out that in the year 1970-71 our own financial resource was Rs. 35.65 crores against which we had to pay wage bill to the extent of Rs. 22.98 crores leaving a balance of Rs.12.6 crores for developmental works. In 1971-72 our revenue was Rs. 40.19 crores and as against that we had to pay Rs. 27.84 crores as wage bill leaving a balance of only Rs. 12.35 crores. In 1972-73 our revenue was Rs. 42.76 crores and as against that we had to pay a wage bill to the extent of Rs.32.44 crores, leaving a balance of Rs. 10.32 crores. In this current year our revenue will be Rs. 48.27 crores and we are yet to pay our wage bills. But we have seen that our wage bill is progressively increasing. Over and above that we have to pay a sum of Rs. 9.3 crores as interest on the loan received from the Central Government since the beginning of our first Five-Year Plan. So the balance that will be left after paying the wage bill and interest on loan will be practically nil to spend for developmental works. There fore

we have to depend entirely on the Centre, but the central assistance has certain difficulties. We cannot get money as we like, and from the statement of the Finance Minister it is seen that Central assistance is received on schematic pattern, which means a percentage of total assistance on a particular scheme comes to us by way of loan and a percentage by way of grant. A small percentage comes to us by way of grant and the major part comes by way of loan. Examination of liabilities also make the picture quite clear. At the beginning of the First Five-year Plan our debit liability was Rs. 2.8. crores and after the first plan it rose to Rs. 19.92 crores, and it went on increasing till it reached the colossal figure of Rs. 421 crores on 1.4.73. Now, what did we do with it? we invested. But what is the purpose of investment?

(At this stage the opposition members re-entered the House in a batch with a blood stained cloth in the hand of the hon. Member Shri Gaurisankar Bhattacharjee)

## Discussion on the Incident that took place on the Assembly House

Shri Gaurishankar Bhattacharjee: Sir, before anything else is done, I want to present the cloth to Shri Sarat Chandra Sinha (with a blood stained cloth in his hand). I do not know whether it is Shri Sarat Sinha's ink or it is human blood. Twice he represented here that there was no lathi charge. Is this the ink of Shri Sarat Sinha or this is blood? I present this to Shri Sarat Sinha who follows Mahatma Gandhi, the apostle of truth and non-violence, Did Shri Sarat Sinha till the truth?

Shri Dulal Chandra Barua: Apart from this, Mr. Sarat

Chandra Sinha all through tried to mislead the House by giving wrong information on the floor of the House. We will come to this in proper time. This incident has taken place here and we were telling him that something was going on but the Chief Minister said that nothing has happened. 4 of those people are in dying condition they have been shifted to the Medical College Hospital and this is the symbol of peace of Mahatma Gandhi. They should use it in Congress Flag—this human blood. These are the proofs. What other proof you want, Sir; He has mislead the House, he has mislead you and what action you are going to take, Sir? He has mislead the House and by doing so he has committed a breach of privilege. This blood stained cloth should be presented to the Chief Minister through you, Sir. Shri Barua then laid the blood-stained cloth on the table of the House ). Let him still say, No.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : উপাধ্যক্ষ মহোদয়, সত্যাগ্ৰহী সকলে যদিও শান্তিপূৰ্ণ আন্দোলন কৰিছিল তথাপিও তেওঁলোকৰ ওপৰত পুলিচে লাঠি চালনা আৰম্ভ কৰিছে কিন্তু মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে পুলিচে কোনো লাঠি চাৰ্জ কৰা নাই, আমি প্ৰত্যক্ষ দৰ্শী হিচাবে কৈছো পুলিচে লাঠি চাৰ্জ কৰিছে, গতিকে এই ক্ষেত্ৰত দেখা যায় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অকল সত্যৰ অপলাপ কৰাই নহয় এই পবিত্ৰ সদনকো অপমান কৰিছে। গতিকে উপাধ্যক্ষ মহোদয়, আমি দাবী কৰো এই লাঠি চাৰ্জ প্ৰকৃতপক্ষে কৰা হৈছে নে নাই, আপোনাৰ নেতৃত্বত তাৰ এটা তদন্ত হব লাগে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : মই এই মাত্ৰকে গম পোৱা মতে সদনৰ সন্মুখত কোনো লাঠি চাৰ্জ কৰা হোৱা নাই, কাউন্টাৰৰ ফালেহে হৈছে। উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই নিবেদন কৰিছো যে সত্যাগ্ৰহ কৰিবৰ কাৰণে অধিকাৰ আছে, কিন্তু সেই সত্যাগ্ৰহ সদায় শান্তিপূৰ্ণ ভাৱেহে হব লাগিব নহলে পুলিচ তেওঁলোকৰ যি কৰ্ত্তব্য সেইমতে কৰ্ত্তব্য সম্পাদন কৰিব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ সদনত আলোচনা হৈ থাকোতেই শান্তিপূৰ্ণ সত্যাগ্ৰহী সকলৰ ওপৰত পুলিচে লাঠি চাৰ্জ, অত্যচাৰ আৰম্ভ কৰিছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ সত্যাগ্ৰহী সকল কোৰ্ট এৰেষ্ট হবলৈ ৰাজী আছিল, কিন্তু তথাপিও তেওঁলোকৰ ওপৰত পুলিচে লাঠি চাৰ্জ আৰম্ভ কৰিছে, তাৰৰ কাটাৰে যাওতে প্ৰত্যেক মহিলা শিক্ষকৰ গাৰ পৰা তেজ ওলোৱা দেখা গ'ল, এই অৱস্থাত মূখ্য মন্ত্ৰী ডাঙৰীয়াই ভাষন দিছে। যদি মাইল্ড লাঠি চাৰ্জ হ'লহেতেন বেলেগ কথা আছিল, ৪ জন লৰাৰ ওপৰত অত্যচাৰ আৰম্ভ হৈছে তাৰে ২ জনৰ অৱস্থা অতি বেয়া কিন্তু সেই ঠাই পোৱাৰ আগতেই অৱস্থা আৰু বেয়ালৈ যোৱাৰে ভয়তে তেওঁলোকক মেডিকেল কলেজলৈ লৈ যোৱা হ'ল। আকৌ কৈছে সদনৰ সম্মুখত লাঠি চাৰ্জ হোৱা নাই কিন্তু কাউণ্টাৰত হৈছে কিন্তু সেই ঠাই চোখৰো প্ৰ'টেক্টেড এৰিয়া নহয় জানো? আমি ১১ জন সদস্যই এই বিষয়ে সদনত ভাডি ধৰিছো কিন্তু মুখ্য মন্ত্ৰী ডাঙৰীয়াই কলে সদনৰ সম্মুখত কোনো লাঠি চাৰ্জ হোৱা নাই। গতিকে আমি দাবী কৰো এই বিষয়ে এটা তদন্ত কমিটি বহিব লাগে যে আমাৰ এই শিক্ষক সকলৰ ওপৰত ন্যায়ভাৱে নে অন্যায়ভাৱে অত্যাচাৰ আৰম্ভ হৈছে তাক চাবলৈ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে সত্যাগ্ৰহ কৰাৰ অধিকাৰ আছে কিন্তু সত্যাগ্ৰহ সদায় শান্তিপূৰ্ণভাৱে হব লাগে, মই কব খোজো উপাধ্যক্ষ মহোদয়, সত্যাগ্ৰহ বেচ শান্তিপূৰ্ণভাৱেই হৈছিল, তেওঁলোকে শান্তিপূৰ্ণ ভাৱেই চৰকাৰৰ ওপৰত মিনতি কৰিছিলেহি, তেওঁলোকৰ অৰ্থনৈতিক শোচনীয় অৱস্থাৰ কথা চৰকাৰক জনাবলৈ, কিন্তু সেই বিলাক কথালৈ চৰকাৰে উপেক্ষা কৰি শান্তিপূৰ্ণ সত্যাগ্ৰহী সকলৰ ওপৰত লাঠি চাৰ্জ কৰি মাৰ-পিট আৰম্ভ কৰি তেজেৰে ৰাঙলী কৰি অত্যাচাৰ কৰি খেদি পঠিয়াইছে, চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতি 'গৰীবী হতাও' পালন কৰিব পৰা নাই, এই দুখীয়া, গৰীৱ শিক্ষক সকলে ইয়াত আহি কান্দি-কাটি নিজৰ শোচনীয়া অৱস্থাৰ কথা চৰকাৰৰ ওচৰত জনাবলৈ আহোতে এনে দৰে অত্যাচাৰ আৰম্ভ কৰাতো বৰ লাজৰ কথাই নহয় নৈতিকতাৰ ফালৰ পৰাও অতি অপমান জনক কথা, আজি চৰকাৰে আন নালাগে আমাৰ দুখীয়া জনসাধাৰণে, নিম্ন বেতন ভোগী শিক্ষক সকলৰ জীৱনৰ ওপৰতো হাত দিছে, গতিকে মই দাবী কৰো নৈতিকতাৰ ফালৰ পৰা আজি

এই চৰকাৰে গাড়ী এৰি দিয়া উচিত। এনে অৱস্থাতো মুখ্য মন্ত্ৰী ডাঙৰীয়াই সদনৰ সন্মুখত লাঠি চাৰ্জ কৰা নাই বোলাতো সত্যৰ অপলাপ কৰাই নহয় ই সদনৰ বাবে দেশখনৰ বাবে অতি অপমান জনক কথা। ই আপোনাক বা সদনক নহয় দেশখনকেই অবমাননা কৰিছে। গতিকে ইয়াৰ এটা বিহীত ব্যৱস্থা লবলৈ আপোনাক মই অনুৰোধ কৰিছো।

উপাধ্যক্ষ ডাঙৰীয়া ঃ আজি এই ঘটনাৰ পৰিপ্ৰেক্ষিতত যিবিলাক ডেভেলপমেণ্ট হ'ল সেই বিষয়ে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক তদন্ত কৰিবলৈ অনুৰোধ কৰিছো। বিৰেচৰ পাচত এই বিষয়ে এটা সংক্ষেপ বিবৰণী ডাঙি ধৰা হব।

Mr Deputy Speaker Mr. Barua you begin in the next half of the day. It is 2.30 P.M. now. The House stands adjourned till 2 P.M.

( সভা স্থগিত থাকে )

(After lunch, the House met at 2 p.m. with Mr. Speaker in the Chair.)

Shri Sarat Ch. Sinha (Chief Minister ) : Mr. Speaker, Sir, I want to make a statement on the incidents that took place in front of the Assembly House, but I want to have few minutes more for this.

### Continuation of General Discussion on the Budget

Shri Dhruba Narayan Barua: Mr. Speaker, Sir, I was speaking on the Central assistance. The Central assistance, as I told, is on a schematic pattern; that means, we get certain amount of this assistance as grant but the major portion of it is given as loan. If we do not accept this loan, we cannot get the grants also. So, when we have got all the amounts, naturally most of the amounts come in the form loans. But what did we do about these loans; we invest this; how the investment

was done? Whether it was in the productive line or in the unproductive line? It was seen that the main purpose of these loans was to create assets and to make some development for affluence; but in fact, we failed to produce what we wanted from this investment. Most of the investments did not bring any return in terms of money. Out of 421 crores, 150crores was spent under one Head-Flood Control&Irrigation, and the purpose of this investment was to construct embankment and drainages and also to give some irrigational fecilities to the people so that the poor cultivators get some benefit and this money was to be recoverd in the form of betterment levy.

But we did not get a single pie as betterment levy, because most of the embankments and drainages were eaten up by the Brahmaputra. Very frequently during the floods, small embankments had some breaches and on the repair of the breaches and the rehabilitation of the flood affected people, we had to spend more and more money; so we did not get back these amounts; on the other hand, we had to pay more money on the same Head under the rehabilitation of the affected people. Our intention was to give relief to 77% of our people who live in the villages, who are cultivators; but in fact, the benefit has not gone to these people; this benefit has gone to certain people; the benefit it has been derived not by our cultivators but this huge amount of Rs. 150 crores and even more has gone to few contractors, and of course, there are some corrupt people who collaborated with these few contractors. Now if we are concious of what is happening around our Gauhati city itself, we can see that big palatial buildings are coming up, we know whose buildings are these, we know also these people who are constructing these buildings, they have not sufficient resources of their own to construct such big buildings out of their monthly income. In fact these are the people

who are the beneficiaries of this 150 crores. Thus loans have piled up during the last 25 years and these have become a heavy burden on the poorer people of this State.

During 1973-74, there is only 48.27 crores which is our own State resources. Out of our Annual Plan amount of Rs.52crores, we cannot contribute more than 7/8 crores because we will have to pay most of the revenue receipts in the form of wage payment. There fore, during all these 25 years, we have seen that most of the amounts we have got from the Government as assistance, because of its investments in the nonproductive lines, these have not yielded any result. Therefore our only remedy is this—we must divert this amount towards the productive lines so that it can create assets and capital, so that out of that capital we can create more capital and rely on our own resources without depending upon the Central assistance in the form of loan. But what shall we do about this 421 crores. The Finance Commission is appointd by the Govt. of India to review the financial position of the economically weaker States every five years. If the Finance Commission does not change the norms of giving Central assistancc to the States and if they do not recommend that grants should be given on -nonproductive ttems such as Public Health, PWD, Education etc., which do not primarily yield direct result, though these have got indirect benefit, it cannot help the State create its assets; they should recommend that amount of grants should be given to the States to be spent on non-productive itemes, and loan on productive items and unless 421 crores is completely written off, I am afraid, the State will never be able to repay this colossal amount of dept.

But inspite of all these odds, our Finance Minister has tried his best to get minimum benefit from whatever

amount available he has tried to divert the energy of the government to the production lines and minimise the expenditure ; he has tried to impose financial discipline so that the expenditure can be curtailed and whatever is left to us it can be diverted to the productive lines ; besides he has tried to give some sympathetic consideration to the unemployed youths so that the youths of our country, the rising generation of our country may not have to depend for their livelyhood and subsistence on others, i.e. to make them self-relient people. Unless we learn how to depend on ourselves, how to stand on our own legs, no amount of help from the Central Government shall be able to raise the economic condition of our people. I am quite sure, Sir during the course of one single year no other Finance Minister would have been able to place before the House a Budget better than this one. As a matter of fact, Sir, this Budget can be reated as only a stepping stone towards building up the country with a view to attainment of the Socialistic objectives to which we all look forward with much expectations. If this Budget can even slightly contribute towards making the economic foundation of our country a little slightly stronger, I have no doubt that even by the next year we can rightly look forward to a much better Budget being presented to the House.

With these few words, Sir, 1 conclude my speech.

শ্ৰীৰেণুকাদেৱী বৰকটকী : মাননীয় অধ্যক্ষ মহোদয়, আজি বাজেটৰ ওপৰত আলোচনাত অংশ গ্ৰহণ কৰাৰ আগতে মই আজি ৰাতিপুৱা ঘটা ঘটনাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। মই বাজেট আলোচনাত অংশ গ্ৰহণ কৰাৰ আগতেই এই ঘটনাৰ এটা ষ্টেটমেন মুখ্য মন্ত্ৰীয়ে বা তেখেতৰ চৰকাৰৰ ফালৰ পৰা কি কৰলৈ আছে সেইটো কব বুলি অনুৰোধ কৰিছো। আলোচনাত অংশ গ্ৰহণ

কৰাৰ আগতে মই এই বিধান সভাৰ সন্মুখত পুলিচ আৰু চৰকাৰৰ কৰ্তৃপক্ষই শিক্ষক সকলৰ ওপৰত কিয় এনে ধৰণৰ অত্যাচাৰ কৰিছে আৰু এই অত্যাচাৰৰ আপোনাৰ নেতৃত্বত এটা বিচাৰ হব লাগে আৰু এনে ধৰণৰ অত্যাচাৰ যাতে ভবিষ্যতে বিধান সভাৰ সন্মুখত নহয় তাৰ বাবে বিশেষ ব্যৱস্থা লব বুলি আপোনাৰ ওচৰত অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত কবলৈ গলে বহুতো কথাই আছে। মোৰ আগতে অসম কংগ্ৰেছৰ সাধাৰণ সম্পাদক ডঃ ওৰীয়াই কৈ গৈছে যে, যিখন বাজেট মুখ্য মন্ত্ৰীয়ে দাঙি ধৰিছে সেই বাজেটখনৰ নিচিনা বাজেট সমাজবাদ আনিবৰ কাৰণে হব নোৱাৰে। আজি কংগ্ৰেছে যি নীতি আৰু পথৰ ওপৰত ব্যৱস্থা কৰি এই বাজেট দাঙি ধৰিছে তাৰ ১০ দফিয়া আচনি বৰ্ত্তমান বিভাজনৰ পিছত হোৱা কংগ্ৰেছ চৰকাৰে কাৰ্যকৰী কৰিবলৈ প্ৰয়াস পাইছে। আজি কংগ্ৰেছক দ্বিখণ্ডিত কৰা হল। বৰ্ত্তমান কংগ্ৰেছে সেই ১০ দফিয়া আচনিৰ ওপৰতে কাম কৰিছে মাত্ৰ। কিন্তু আজি এই কংগ্ৰেছে তেওঁলোকৰ নিজৰ আচনি বুলি ৰাইজৰ আগত প্ৰচাৰ কৰাতো এটা প্ৰপাগন্দাৰ বাহিৰে একো নহয়। বৰ্ত্তমান চৰকাৰৰ ইয়াত নতুনত্বৰ একো নাই। ১৯৬৭ চনৰ মে মাহৰ ১২ তাৰিখে অবিভক্ত কংগ্ৰেছে এই ১০ দফিয়া আচনিটো লৈছে।

10—point programme adopted by the Working Committe of the Un-Divided Congress on 12.5.67 :-

(1) 'Social Control' of the banks leading to their nationalisation,
(2) Nationalisation of general insurance.
(3) Progressive take-over of export and import trade by State agencies,
(4) State trading in foodgrains at the wholesale level,
(5) Organization of consumer co-operatives in urban rural areas,
(6) Effective steps to curb monopolies and concentration of economic power,

(7) provision of minimum needs to the entire community,
(8) Ceilings on individual holdings of urban property,
(9) Prompt implementation of land reforms, and,
(10) Abolition of the Princes' Privileges as well as privy purses.

গতিকে বৰ্ত্তমানে কাৰ্য্যকৰী কৰিব খোজা আচনি বিলাকত নতুনত্ব একো নাই। এই আচনি কাৰ্য্যকৰী কৰা সম্পৰ্কে চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা কৰিছে। শাস্ত্ৰীজী আৰু পণ্ডিতজী মৰাৰ পিছত কংগ্ৰেছক ভাগ কৰা হল। আৰু তাকেই কৰি বাওপন্থী সকলক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হল। কিন্তু সেই অৱস্থাটো শান্ত কৰাৰ কাৰণে পুনৰ কংগ্ৰেছক নৰ্মেল কৰিবলৈ এটা ব্যৱস্থা উদ্ভৱ কৰিলে আৰু কংগ্ৰেছ গোষ্ঠীক গোষ্ঠিবদ্ধ বুলি দেখুৱাবলৈ শাস্ত্ৰীজী আৰু নেহেৰুজী মৰাৰ পিছত ইতিপূৰ্ব্বে গ্ৰহণ কৰা সেই ১০ দফিয়া আচনিৰ পুনৰ উত্থান কৰিলে। ইয়াকে কৰিয়েই ৰাইজৰ চকুত ধুলি দিবলগীয়া হল। কিন্তু এতিয়া সেই আচনি বিলাকৰ অকৃতকাৰ্য্য হোৱাৰ কাৰণে তাৰ কাৰণে জগৰীয়া কৰিছে যে দেশৰ নানা ধৰণৰ প্ৰতিক্ৰিয়াশীল লোক যেনে চি, আই, এ, ৰাচিয়ান এজেণ্ট আদিয়ে এই আচনিবিলাক সফল কৰাত বাধা প্ৰদান কৰিবলৈ আৰম্ভ কৰিছে। আৰু সেই কাৰণেই আচনিবোৰ কৃতকাৰ্য্য হোৱাত বাধা আছে। আৰু ইয়াকে কৰিবলৈ এতিয়া ভাৰতত একনায়কত্ব বাদৰ সৃষ্টি কৰিছে। ইয়াত নতুন সমাজবাদৰ নীতি নাই। যোৱা ১৮ এপ্ৰিল তাৰিখে লোকসভাত দিয়া উদোগ লাইচেন্স কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনত উল্লেখ থকা ২০ টা ব্যৱসায়িক গোষ্ঠীৰ অধিকাংশৰে সৰ্বমুঠ সম্পত্তিৰ পৰিমাণ এবছৰৰ ভিতৰত ১৯৬৯-৭০ আৰু ১৯৭০—৭১ চনত বৃদ্ধি পাইছে বুলি কৈছে। টাটাৰ সম্পত্তিৰ পৰিমাণ এই সময়ছোৱাত ৬৬০ কোটি ২০ লাখ টকাৰ পৰা ৭১১ কোটি ১৫ লাখ টকালৈ আৰু বিৰলাৰ ৬৪৮ কোটি ৪ লাখ টকাৰ পৰা ৬৮৭ কোটি ৩৮ লাখ টকালৈ বৃদ্ধি পায়। ১৯৭০-৭১ চনত আন ব্যৱসায়িক গোষ্ঠিৰ পৰিমাণ হল এ, চি, চি ১১২ কোটি ৮৫ লাখ, এনদ্ৰ জুলে ৫৮ কোটি ১ লাখ, ৰানগুৰ ১৪৯ কোটি ৭০ লাখ, ব্ৰাৰ্ড হেইলগাছ ৮৪ কোটি ৬৯ লাখ, গোৱেংকা ৭৯ কোটি ৪৪ লাখ আই, চি, আই ২২৮ কোটি ৫৯ লাখ, জে, কে, সিংহানিয়া ১১৩ কোটি ৬০ লাখ

কিলোচান্দ ৪৪ কোটি ৩৩ লাখ, কিলিক কানয়া িয়া ৮৩ কোটি ৫৭ লাখ, মফতলাল ১৭২ কোটি ৩৮ লাখ মার্টিন বান ১৭৩ কে টি ১৩ লাখ, গহ জৈন ৯৬ কোটি ১০ লাখ, ছাৰাভাই ৯৬ কোটি ৯ লাখ িন্দিয়া ৯০ কোটি ১৩ লাখ, শ্ৰীৰাম ৩৭ কোটি ৬ লাখ, থাপাৰ ১০৭ কোটি ১২ লাখ, আৰু ৱালচান্দ ১০৫ কোটি ৬৪ লাখ।

এতিয়া দেখা গৈছে যে এই ২০ টা বৃহৎ গোষ্ঠিৰ ভিতৰত সম্পত্তি বাঢ়ি গৈছে। এইয়া হল আমাৰ চৰকাৰৰ সমজবাদৰ নমুনা। অজি ৰাজনৈতিক ক্ষেত্ৰত আমি দেখিছো কিছুদিনৰ আগতে উত্তৰ প্ৰদেশত পুলিচ আৰু মিলিটেৰিৰ সংঘৰ্ষ। ইয়াক চিপাহী বিদ্ৰোহ বুলি আখ্যা দিয়া হৈছে কিন্তু এনেকুৱা বিদ্ৰোহ অন্য দেশত বিৰল সেইদৰে উৰিষ্যাত ৰাষ্ট্ৰপতিৰ শাসন, বিহাৰত মন্ত্ৰী পৰিষদ গঠনত ক্ষমতা হ্ৰাস, আদিয়ে সমাজবাদৰ নতুন নতুন নমুনা দাঙি ধৰিছে। অসমৰ ক্ষেত্ৰত এই মন্ত্ৰী সভাৰ এগৰাকী মন্ত্ৰীয় আন কেইগৰাকীমান মন্ত্ৰীয়ে ভাষা আন্দোলনত সক্ৰিয়ভাবে লিপ্ত থকা স্বত্বেও তেওঁক মন্ত্ৰী সভাৰ পৰা বাদ দিব পৰা নাই।

দিল্লীৰ দেব দেবী, ভগবান ভগৱতী সকলে এই মন্ত্ৰী জনক আতৰাই পঠাব খোজা নাই। আনহাতে অধ্যক্ষ মহোদয় আপুনিও পেপাৰত পাইছে যে অসমৰ কেবিনেট বিচাফল হব। কিন্তু আমি জনাত এই দৰে কি মুখ্য মন্ত্ৰীয়ে এখন ভাঙন মখী চৰকাৰ চলাই লৈ যোৱাৰ চেষ্টা কৰিছে। কিন্তু এই দৰেই আৰু কিমান দিন জীয়াই ৰাখিব।

এতিয়া মই দ্বিত্তিয় পৰিস্থিতিৰ কথালৈ আহো। অসম বিধান সভাৰ দুজন গুৰুত্বপূৰ্ণ সদস্য, আৰু কংগ্ৰেছী সদস্য বিধান সভাত থকা স্বত্বেও উত্তৰ কাচাৰ আৰু মিকিৰ পাহাৰ জিলাই অসম চৰকাৰৰ বিৰোদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। বাতৰি কাকতৰ বাতৰিৰ যদি সত্যতা আছে উত্তৰ কাচাৰ আৰু মিকিৰ পাহাৰ জিলাৰ যিখন বাজেট অসম চৰকাৰলৈ পঠাব লাগে অনুমোদনৰ কাৰণে সেই বাজেট উত্তৰ কাচাৰ আৰু মিকিৰ পাহাৰ জিলাই অসম চৰকাৰলৈ নপঠায় কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ কাৰণে পঠোৱাটো সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁলোকে নগালেণ্ড বা মেঘালয়াৰ নিচিনাকৈ বেলেগ ৰাজ্য বিচাৰিছে। সেই কাৰণেহ

তেওঁলোক তেওঁলোকৰ বাজেট বিধান সভালৈ এপ্ৰভেলৰ কাৰণে পঠোৱাৰ কাৰণ নাই বুলি ধৰি লৈছে। এই বিলাক কথা বাতৰি কাকতত প্ৰকাশ পাই আহিছে। আমাৰ এই কেবিনেটতে তুজন সদস্য উত্তৰ কাচাৰ আৰু মিকিৰ পাহাৰৰ আছে। তেওঁলোক ইয়াত থকা স্বত্বেও তেওঁলোকৰেই দলৰ মানুহে, তেওঁলোকৰেই সতীৰ্থ সকলে তলে তলে এই বিলাক কাণ্ড কৰি ফুৰিছে। মই মুখ্য মন্ত্ৰীৰ পৰা এইটো কথা জানিৰ বিচাৰিছো যে উত্তৰ কাচাৰ আৰু মিকিৰ পাহাৰ জিলা অসমৰ পৰা ওলাই যাব খোজা কথা সচানেকি? উত্তৰ পূব অঞ্চলৰ উত্তৰ কাচাৰ মিকিৰ পাহাৰ, নগালেণ্ড, মেঘালয়, এই বিলাক ঠাইৰ মানুহ যাতে শান্তিৰে থাকিব নোৱাৰে তালৈ লক্ষ্য ৰাখি কোনো এক শ্ৰেণীৰ লোকে সীমা বিবাদ গুলিয়া গুলি আদিৰ সৃষ্টি কৰি আছে। এই শ্ৰেণীটোৰ প্ৰতি দৃষ্টি দিবলৈ মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও। ভাৰতৰ এই পূৰ্বাঞ্চল-টোত যি শ্ৰেণীৰ লোকে অশান্তিৰ সৃষ্টি কৰি আহিছে তেওঁলোকক এক্সপজ কৰাৰ চিন্তা চৰকাৰে কৰিব লাগে।

তলি উদং অসমৰ বাজেটখনৰ বিষয়ে কালি বিৰোধী দলৰ নেতা শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই আলোচনা কৰি গৈছে সেই কাৰণে মই এইবিলাকত অংশ লবলৈ ইচ্ছা কৰা নাই। মই মাথোন কবলৈ বিচাৰিছো অসমৰ বাজেটত প্ৰত্যেক বছৰেই ৰেভিনিও বিচিপ্ট কমাই দেখুৱাই অহা হৈছে। ১৯৭১-৭২ চনত ২০০ কোটি ১৯৭২-৭৩ চনত ২৭৩ কোটি আৰু ১৯৭৩-৭৪ চনত ২৩১ কোটি টকা দেখুওৱা হৈছে। ইয়াৰ পৰা এইটো পৰিলক্ষিত হৈছে যে আমাৰ ৰাইজৰ আয়টো কমি আহিছে। আনহাতে চৰকাৰে প্ৰগ্ৰেচিভ পলিচি লৈ উন্নয়নমূলক কাম ৰাইজৰ মাজত বহুতো কৰিছে আৰু কৃষি উন্নয়নৰ ব্যৱস্থা লৈছে। তেনেস্থলত ৰেভিনিও ৰিচিভ কিয় কমিছে। আনহাতে মই কওঁ আমাৰ ঋণৰ পৰিমাণ বাঢ়িছে। আৰু এই ঋণৰ পৰিমাণ কমাব নোৱাৰাটো এটা বৰ পৰিতাপৰ বিষয়। ২ কোটি টকা ঋণৰে আমি প্ৰথম বাজেট আৰম্ভ কৰিছিলো। ৪ৰ্থ পৰিকল্পনাৰ শেষত এই ঋণ বাঢ়ি গৈ ৪০০ কোটি টকা ঋণ হৃষগৈ। এই ৪০০ কোটি টকাৰ ঋণৰ ওপৰিও আমি আৰু ১৫।১৬ কোটি টকা তাৰ সুত হিচাবে দিব লাগিব। এই বাজেটত ঘাটি দেখুওৱা হৈছে ৯৫.৬৪ লাখ টকা। এই ক্ষেত্ৰত মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে এইটোও এটা আমাৰ

ৰাজস্য কমি যোৱাৰ কাৰণ। আনহাতে শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই কৈ গৈছে যে অসমক কেন্দ্ৰীয় চৰকাৰে উপনিবেশ ব্যৱস্থা কৰিব বিচাৰিছে। অসমৰ পৰা প্ৰত্যেক বছৰে ২০০ কোটি টকা বাহিৰলৈ ওলাই গৈছে। এইদৰে ২০০ কোটি টকা ওলাই যোৱা কথাটো কেতিয়াও ভাল হব নোৱাৰে, আজি আমাৰ চৰকাৰে এই কেচ 'ফলো'টো বন্ধ কৰিব পৰা নাই। এইটো বন্ধ কৰিব নোৱাৰিলে অসমৰ অৰ্থনৈতিক উন্নতি কেতিয়াও হব নোৱাৰে। তাৰোপৰি আমাৰ ইয়াত যি বিলাক বাহিৰৰ মানুহ আহি কাম কৰিছে, সেই বিলাকে যি পইচা পাইছে সেইটোও বাহিৰলৈ গৈছে আৰু সেই দৰে যিবিলাক লেবাৰ আছে, যি বিলাক উদ্যোগপতি আছে সেই বিলাকেও লাভৰ অংশ বাহিৰলৈ পঠোৱাৰ কাৰণে আৰু ১০০ কোটি টকা বাহিৰলৈ বছৰি ওলাই গৈ আছে। আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৫০ কোটি পোৱাৰ আশা কৰিছে। কিন্তু এই টকা কেন্দ্ৰীয় চৰকাৰে আমাৰ চৰকাৰক দান হিচাবে নিদি এই টকা আমাৰ চৰকাৰক লোন হিচাবে দিব আৰু তাৰ পৰা চাৰে ৪ টকা কৰি সুত দিব লাগিব। এই ফালৰ পৰাও আমাৰ অৰ্থনৈতিক অৱস্থা বেয়া হৈ আহিছে। অসমৰ মানুহৰ আৰ্থিক অৱস্থা এনেকুৱা হৈছে যে ককাদেউতাৰ দিনত কাহৰ বাচন, পিতেকৰ দিনত পিটলৰ আৰু নাতিয়েকৰ দিনত এলোমিনিয়াম আৰু তাৰ পিচত কলাপাট কাটি ভাত খাব লাগিব। সেইদৰেই আইতাৰ দিনত সিংখাপ জীয়েকৰ দিনত কপাহীসুতা আৰু নাতিয়েকৰ দিনত বজাৰত সূতাকে পাবলৈ নাইকীয়া হৈছে। এই কথাখিনিৰ অৱতাৰণা মই অসমীয়া মানুহৰ আৰ্থিক দুৰৱস্থাৰ কথা কবলৈ গৈ এই সদনত ব্যাখ্যা কৰিছো।

বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষণত এমপ্লয়মেণ্ট, ক্ৰেডিত আৰু এগ্ৰিকালচাৰেল লোনৰ কথা উল্লেখ কৰিছে। ১৪টা বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হল। আৰু আমি ভাবিছিলো তাৰ দ্বাৰায় ৰাইজৰ বহুত খিনি উপকাৰ হব। কিন্তু তাৰ ঠাইত এইটো পৰিলক্ষিত হৈছে যে অসমৰ ধন অসমত নাথাকি বাহিৰলৈহে যোৱাৰ পথ নিৰ্ম্মাণ হৈছে। ১৯৬৯ চনৰ জুলাই আৰু ১৯৭০ চনৰ জুলাই মাহলৈ এই বছৰটোত অসমৰ মানুহে এই বেংক বিলাকত ৮০ লাখ টকা জমা দিছিল। কিন্তু বিনিময়ে অসমৰ মানুহক এই বেংক বিলাকে মাত্ৰ ১৯ বা ২০ লাখ

টকাহে ধাৰ দিছে। বেংক ৰাষ্ট্ৰীয়কৰণ কৰাৰ পিচত তাৰ এটা বৃহৎ অংশ অসমত নিয়োজিত হব বুলি আশা কৰিলো কিন্তু সেইটো কৰা নহল আৰু তাৰ ঠাইত বাচকবনীয়া শব্দ সম্ভাৰেৰে ইউথ এচোচিয়েচন আদি কিছুমান ভাল নাম দি তেওঁলোকক মোহিত কৰি ৰাখিছে। কিন্তু হাজাৰ হাজাৰ নিবনুৱা লৰাৰ ভাত মুঠিৰ ব্যৱস্থা কৰিব পৰা নাই।

আমাৰ যিসকল ডেকাই চাকৰি বিচাৰি হাহাকাৰ কৰি ফুৰিছে সেই সকলৰ ভাতমুঠিৰ সংস্থান চৰকাৰে কৰি দিব পাৰিছেনে? পৰা নাই। আমি যিসকল সদস্য নিৰ্বাচিত হৈছো আমাৰ জীৱন দুৰ্বহ হৈছে। কাৰণ চাকৰি বিচাৰি ডেকা সকল আমাৰ ওচৰলৈ আহিছে, আমি কোনেও চাকৰি দিব পৰা নাই।

অধ্যক্ষ মহোদয়, চাকৰিৰ ক্ষেত্ৰত আমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছিল পুচ এণ্ড পুল ফেক্টৰ অৰ্থাৎ গাঁৱৰ লৰা বেতিয়া গাঁৱলৈ নিবনুৱা হৈ ঘুৰি যায়। খেতিৰ কাৰণে মাটি নাই, গাঁৱৰ পৰা ডেকাসকল চাকৰি বিচাৰি নগৰলৈ আহে আৰু নগৰ নিবনুৱাৰে ভৰি পৰিছে। এই নিবনুৱা সকলক নিয়োগ কৰিবৰ কাৰণে কোনো কল কাৰখানা নাই, ব্যৱসায় নাই। গতিকে তেওঁলোকে যি যেনেকৈ পাৰে বিক্ষোভ প্ৰদৰ্শন কৰি মনৰ অশান্তি প্ৰকাশ কৰিবলৈ বিচাৰিছে। হাজাৰ হাজাৰ লৰা গাঁৱৰ পৰা আহিছে তাৰ ভিতৰত বহুতো গাভৰু ছোৱালী কোনো মেট্ৰিক পাচ, বি, এ পাচ তেওঁলোকে চাকৰি বিচাৰি নগৰলৈ আহিছে। কোনোবা এজন মাননীয় সদস্যই কৈছিল গুৱাহাটীৰ হোটেলবোৰ এনকুৱাৰী কৰিব লাগে। তেওঁলোকে অৰ্থ নৈতিক তাড়ণাত পৰি অসৎ উপায়েৰে উপাৰ্জন কৰিবলৈ বাধ্য হৈছে। এজনী ছোৱালীয়ে হোটেলত চাকৰি কৰি ঘৰলৈ টকা পঠিয়াইছে। শিক্ষিত মাক বাপেকে কি চাকৰি কৰে চাবলৈ আহি ঘৰলৈ ঘুৰি গৈ লিখি পঠিয়াইছে টকা নালাগে আৰু তুমিও আহিব নালাগে। আমাৰ কিছুমান অসমীয়া ছোৱালীয়ে নিজৰ পৰিয়ালক ভৰণ পোষণ দিবৰ কাৰণে নাৰ্চৰ কামত সোমাইছে। এই সংক্ৰান্তত মই এখন চিঠি পঢ়ি শুনাম—

.......You are well-known that the Assamese girls who take up nursing as profession are coming from the poorest families,] either to support their families financially for

livelihood or have come out due to drawback of parents to dispose these girls by marriages etc. You will feel sad when some painful instances of their torture by intimidation of service career with the interest of damaging their chastity. Any and every sensible person will be upset to hear the incident stated below. That one doctor of a Primary Health Centre in Darrang is a demoralised doctor, who is in the habit of changing Nurses one after another by threatening for immoral purposes. He threatens the nurses to give bad remarks in their service career records if they do not oblige him for his immorl sex affairs. These facts are not only a whispering but an opensecret known to the people of the locality. Recently late Miss Rina worked under him coming out from a poorest family of Dhalaibil ধলাইপুৰ ডাক্তৰখানাত নাৰ্চ কাম কৰিবলৈ আহিছিল।" By the said intimidation the said doctor made immoral connection with her and the girl was pregnant for 3½ months and the poor unfortunate victim on whom the entire family was dependant for financial help had to breath her last while there was a forcible attempt to abort her in order to hide this immoral act of the said doctor. Why her suspicious death was not reported to police is not known.

এই ছোৱালী জনীৰ মৃত্যু হোৱাৰ পিচত কেনেকৈ মৰিল কিয় মৰিল তাৰ কোনো পুলিচ এনকুৱাৰী নহল।

ৰেণু বৰাৰ কেনেকৈ মৃত্যু হল তাৰ খবৰ দিয়া নহল। সেই ডাক্তৰ জনৰ ২-৩ জন বন্ধুৱে মৃতদেহ সৎকাৰ কৰিলে। আনকি ৰেণু বৰাৰ মাক দেউতাকক মৃত্যুৰ খবৰ দিয়া নহল বৰ দুখৰ কথা। মন্ত্ৰী, উপমন্ত্ৰী, এম, এল এৰ ঘৰে ঘৰে যুৱক-যুৱতীয়ে চাকৰি বিচাৰি ফুৰিছে। তাৰ ভিতৰত কোন বিলাকে চাকৰি পাইছে যিবিলাকে মন্ত্ৰী উপমন্ত্ৰীৰ নিৰ্বাচনত কাম কৰিছে। হাজাৰ হাজাৰ লৰা ছোৱালীয়ে মন্ত্ৰী উপমন্ত্ৰীৰ নিৰ্বাচনত কাম কৰিব পৰা নাই তেওঁলোকৰ চাকৰিৰ কাৰণে কোনেও চিন্তা কৰা নাই। বিষয়াসকলে কয় অমুক বিভাগত ২০ জন

লবা লব কিন্তু চাকৰি দিয়াটো সম্ভৱপৰ নহয় কাৰণ মোৰ হাতত এখন লিষ্ট আছে—মন্ত্ৰীৰ ১২ জন উপমন্ত্ৰীৰ ১৩ জন আৰু পালী মন্ত্ৰীৰ ১৪ জন প্ৰাৰ্থী আছে।

অধ্যক্ষ মহোদয়, এই বাজেটখন এন্টি পিপুল, সমাজ বিৰোধী বাজেট হৈছে। সংখ্যা গৰিষ্ঠতাত এই বাজেটখন পাচ হব। গতিকে মই বিত্তমন্ত্ৰী মহোদয়ক এটা কথা কব খুজিছো যাতে এই বাজেট পাচ হোৱাৰ পিচত বিষয়া সকলে ধনৰ অপব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক হব লাগিব। মই এই সন্দৰ্ভত কেইটামান উদাহৰণ দাঙি ধৰিম। কুখ্যাতেই হওক বা বিখ্যাতেই হওক ৰবী শস্য সম্পৰ্কত কীট নাশ কৰিবৰ কাৰণে পেষ্টিচাইজ এৰোপ্লেনেৰে স্প্ৰে কৰিবলৈ দিয়া হৈছিল। ই একো ৰিজাল্ট দিব নোৱাৰিলে আৰু সেই বিল ব্ৰহ্মপুত্ৰত পেলাই দি টকা লৈ যায়। এনে ধৰণৰ দুৰ্নীতি কৃষি বিভাগত চলি আছে এই বিলাক বিচাৰ কৰি দোষী বিষয়াক যথোপযুক্ত শাস্তি বিহিব লাগে। মই যোৱা বিধান সভাত এটা প্ৰশ্ন দিছিলো যে কৃষি বিভাগৰ ইনকাম কলৈ যায়। ট্ৰাক হায়াৰ কৰো জীপ হায়াৰ কৰো, জিলা হিচাবে কি আয় হৈছে আৰু খৰচ কিমান হৈছে? তাৰ উত্তৰ আজিলৈকে দিব পৰা নাই এই বিভাগে এই হিচাব দিব নোৱাৰে কাৰণ ইয়াৰ পৰা ৰাজহ অহা নাই। এই ক্ষেত্ৰত বহুতো বৰমূৰীয়া লিপ্ত হৈ আছে।

এই বিলাকৰ ভিতৰত পেষ্টিচাইড ফচফমিটন ব্যৱহাৰ কৰাৰ কথাও সোমাই আছে। কিন্তু সেই বস্তু আজিলৈকে ক'তো কোনেও ব্যৱহাৰ কৰা নাই। এই কোম্পানীটোৰ নাম হৈছে মেচাৰ্চ গুৱাহাটী এন্টাৰপ্ৰাইজাৰ্চ। এই কোম্পানীয়ে বোম্বাইৰ কোম্পানীৰ পৰা লৈছে আৰু চৰকাৰী বিষয়াসকলৰ ওচৰত আবেদন জনাইছিল, কিন্তু আমি জনাত এজন মাত্ৰ বিষয়াই অৰ্থাৎ এই বিভাগৰ ডিৰেক্তৰে কথাটোত আপত্তি কৰিছিল। কিন্তু পিচত গৈ মেচাৰ্চ গুৱাহাটী এন্টাৰপ্ৰাইজাৰ্চক ফচফমিন ছটিয়াবলৈ হুকুম দিলে। আৰু তেতিয়া পেষ্টিচাইড গোটেই অসমতে গাৰ্ব-ভূগ্ৰে ছটিয়াবলৈ দিয়া হল। তাত আছিল মেলাথাইজ শতকৰা ৫০ ভাগ। আৰু এইটো চাপ্লাই কৰিছিল গুৱাহাটী এগ্ৰিকালচাৰেল এন্টাৰপ্ৰাইজাৰ্চে। মেলাথাইজকে লেবেল লগাই ফচফমিন কৰি তাক বিক্ৰী কৰি দিলে। যদিও

ফচফ মাৰ প্ৰতি লিটাৰ হল মাত্ৰ ১৬ টকা কিন্তু তাক বিক্ৰী কৰিলে ১৩০ টকাকৈ লিটাৰ হিচাবে। এই ক্ষেত্ৰত কেইজনমান বিষয়াও লিপ্ত আছে। এই যিটো কোম্পানী এইটো কৰিছে টি-আহমেদ বুলি এজনে। তেওঁ চেক্ দিলে এক লাখ চৌদ্ধ হাজাৰ টকাৰ কিন্তু তেওঁৰ বেংকত একাউণ্ট হলে নাই। আকৌ চেক দিলে আব্দুচ আনান্নুল আহমেদলৈ। গুৱাহাটী বেংকতো আছে আজি কালি এনেকুৱা সেই মিউট্ৰেল কাষ্ট নে কি সেইটো ১০ টকাত ১০০ টকা হয় আৰু ১০০ টকাত ২০০ টকা হয়। এই যে এগ্ৰো ইণ্ডাষ্ট্ৰীজে এক লাখ চৌদ্ধ হাজাৰ টকাৰ চেক্ দিলে সেই প্ৰয়োজন মানুহেই হল সেই কোম্পানীৰ পাৰ্টনাৰ। কোম্পানীটো লাখটকীয়াত আছে।

অধ্যক্ষ ডাঙৰীয়া, এই কথাবিলাক আপোনাৰ দৃষ্টি গোচৰ কৰিবলৈ—

শ্ৰীতপেন দাস :—(কৃষি মন্ত্ৰী) ঔষধটো দিলে ভাল হয়।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী :—কেৱল সেয়েই নহয় অধ্যক্ষ ডাঙৰীয়া, এই কোম্পানীৰ যিবিলাক মানুহ গাৱেঁ ভূঞে আছিল সেই সকল মানুহ গৈ ডিষ্ট্ৰিক্ট এগ্ৰিকলচাৰ অফিচাৰ আৰু এচ-ডি-অ'ৰ পৰা ৰিক'মেণ্ডেচন লৈ আহিছে। মই আমাৰ অসমৰ এগ্ৰো ইণ্ডষ্ট্ৰিজৰ এজন এক্সপাৰ্টৰ লগত আলোচনা কৰিছো। তেখেতে কৈছে যে মেল থাইজ ৫০ ই-চি কেৱল সাধাৰণ কামৰ কাৰণেহে ব্যৱহাৰ কৰা হয়। এগ্ৰিকালচাৰৰ ভিতৰত আৰু বহুত কথা আছে, কৃষি বিভাগৰ মন্ত্ৰীৰ আৰু বহুত কীৰ্ত্তি আছে যিবিলাক শুনিলে হয়তো আৰু কেবিনেটৰ মন্ত্ৰী হৈ থকাটো উচিত হয় নে নহয় সেইটোও চাব লাগিব।

চৰকাৰে দাঙি ধৰা বাজেট আমি পাচ কৰা নাই, বিধান সভাই পাচ কৰি দিছে। অসমৰ ৰাইজে ভাবিছে যে এই বাজেটত বহুত ডাঙৰ ডাঙৰ কাম হব এইবিলাক টকাৰে। কিন্তু এই হেঙাৰ বিলাক দূৰ নকৰিলে. কেলেংকাৰী যিবোৰ ভিতৰত সোমাই আছে সেইবিলাক দূৰ নকৰিলে এই টকাৰে শতকৰা পঞ্চাশ ভাগ মানুহৰ পকেটে পকেটে সোমাব মাথোন তাৰ পৰা কোনো কাম নহব। পেষ্টচাইডৰ কথা আগতে কোৱা হৈছে। মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়াইও এই সম্পৰ্কত এটা কেলেংকাৰী দাঙি ধৰিছে। কংগ্ৰেছ পাৰ্টিৰেই সদস্য শ্ৰীবলভদ্ৰ

দাস ভ্ৰাউৰীয়াইও গুৱাহাটী আৰু ইয়াৰ আশে-পাশে থকা মাটিৰ ৰেকেটৰ (কেলেংকাৰীৰ) কথা কৈছে। যোৱা বিধান সভাত চৰকাৰী উকীল নিয়োগৰ ক্ষেত্ৰত সোনাপুৰৰ ঘটনা বিলাক আপোনাৰ জৰিয়তে সদনৰ দৃষ্টি গোচৰ কৰা হৈছিল। সেই সম্পৰ্কত মন্ত্ৰী ডাঙৰীয়াই ফাইল আদি চাই এটা ষ্টেটমেণ্ট দিম বুলিও কৈছিল কিন্তু আজিলৈকে ফাইল আদিও নেদেখুৱালে আৰু কোনো ষ্টেটমেণ্ট আদিও নিদিলে।

শ্ৰীচৈয়দ আহমেদ আলী :—ফাইল দেখুৱাম বুলি কৈছিলো আৰু মাননীয় সদস্যই গৈ চাবলৈ কৈছিলো।

Shrimati Renukadevi Barkatoki :–He should bring the file to the House What is the harm if you give it to the Speaker. Anyway I have not see it uptil now.

Shri Syed Ahmed Ali :—That is not my fault.

মই ঘৰত গৈ ফাইল চাবলৈ যাম। আপুনি দেখুৱাব লাগিছিল।

এই বিধান সভাত এই কালৰ পৰা আৰু সেই কালৰ পৰাও বহুত সদস্যই বাজেটৰ ওপৰত বক্তৃতা দিছে কিন্তু কোনেও কব পৰা নাই অসম চৰকাৰৰ ভিতৰখন কেনেভাৱে অচল হৈ গৈছে। কোনেও চিন্তা কৰিব পৰা নাই ইয়াৰ পৰিণতি কি হব? যদি কোনোবাই চিন্তা কৰিছে তেন্তে কব নোৱাৰো। যোৱা বিধান সভাত মুখ্য মন্ত্ৰীৰ পৰা এটা কথা বিচাৰিছিলো যে ঠিকা যিবিলাক ঠিকাদাৰক দিয়া হৈছে সেই সকলৰ এখন তালিকা দিব লাগে। বিশেষকৈ বান-নিয়ন্ত্ৰণ বিভাগত দিয়া ঠিকা কামৰ কাৰণে। কিন্তু তাতো অনাঅসমীয়াই ঠিকা কৰি টকা লুট-পাট কৰি দিছে। আটাইকেইজনেই চোৰ বুলি কলে নিশ্চয় ভুল নহয়। আনহাতে গড়কাপ্তানী বিভাগৰ মন্ত্ৰীক নানান ধৰণৰ ডাঙৰ ডাঙৰ চাৰ্জ কৰি বিধান সভাৰ মজিয়াতে গড়কাপ্তানী বিভাগৰ ওৱাৰ্কিংৰ ওপৰত এটা কমিচন অব এনকুৱেৰি বহুৱাবলৈ কোৱা হৈছিল। কিন্তু কমিচন অব এনকুৱেৰি বহুৱাবলৈ সাহস নহব কাৰণ তেতিয়াহলে বহুত ৰৌ-বৰালী ধৰা পৰি যাব আমাৰ ৰাজ্যত থকা। মন্ত্ৰী মহোদয়ে কৈছিল গড়কাপ্তানী বিভাগৰ

গুৱাকিঙৰ ওপৰত এটা কমিচন অৱ এন্‌কুৱেৰি বহুৱাবলৈ। অধ্যক্ষ ডাঙৰীয়া, আজি বিভিন্ন বিভাগৰ সম্পৰ্কত কৈ দীঘলীয়া কৰাৰ লাভ নাই। কিন্তু এটা কথা ঠিক যে বিভাগ বিলাকে কালেকটিভ ৰেচ্‌পন্‌চিবিলিটি বুজি নাপায়। বিভাগ বিলাকৰ মাজত কালেকটিভ ৰেচ্‌পন্‌চিবিলিটি নাই। আনকি মন্ত্ৰী সকলেও কয় কেৱল তেওঁৰ বিভাগটোৰ কথাহে আন বিভাগৰ কথা কলে কৰ নোৱাৰো বুলি কয়। ডেমোক্ৰেচি কালেকটিভ ৰেচ্‌পন্‌চিবিলিটি নহলে নচলে। ঠিক মতে কাম কৰিব নোৱাৰে। কিন্তু বিষ্ণু মেধি ডাঙৰীয়াৰ দিনত অথবা চলিহাৰ দিনত মন্ত্ৰী সকলে আমি কৰিছোহে বুলি কৈছিল আৰু আজি শ্ৰীশৰত চন্দ্ৰ সিংহ দেৱৰ দিনত মন্ত্ৰী সকলে মই কৰিছো বা মই কৰিম বুলিহে কয়।

অধ্যক্ষ ডাঙৰীয়া, বেছি দূৰলৈ নাযায় আমাৰ ৰাজধানীৰ ওচৰতে থকা এক কথাত কবলৈ গলে একেই বুলি কব পাৰি সেই গুৱাহাটীৰ কথাকে দুটামান কব খুজিছো। আজি গুৱাহাটীখন নিগমলৈ পৰ্য্যবসিত হল। টাউন এণ্ড কান্ট্ৰি প্লেনিং বিভাগ খুলিছে মন্ত্ৰী ৰহি আছে, বহি থাকিয়েই প্লেনিং কৰিবলৈ হুকুম দিছে। কিমান কৰিলে কিন্তু একো হলে নহল আলিবাটত আবৰ্জনা ভৰি গ'ল। গুৱাহাটী মেডিকেল কলেজৰ দিনে দহটা মানুহৰ মৃতদেহ সংকাৰৰ কাৰণে কোনো দিহা কৰা হোৱা নাই। মাত্ৰ দুই এঠাইতেই দৈনিক ২০-২৫ টা মৃতদেহ সংকাৰ কৰা হৈছে। চলিহাৰ দিনত এখন ইলেকট্ৰিকেল ক্ৰিমেশ্যন গ্ৰাউণ্ড কৰাৰ কথা আছিল গুৱাহাটীৰ কাৰণে। মিউনিচিপেলিটিৰো কোনো ক্ৰিমেশ্যন গ্ৰাউণ্ড নাই। হেঙাৰবাৰীত এখন ট্ৰেন্সিং গ্ৰাউণ্ড কৰিছিল মিউ-নিচিপেলিটিৰ ফালৰ পৰা কিন্তু গুৱাহাটী চহৰৰ মিউনিচিপেলিটিয়ে নাইট চইল পেলাবলৈ যাওঁতে তাৰ লোকেল মানুহে ধৰিলে আৰু ঘেৰাও কৰি বাধা দিলে তাত ট্ৰেন্সিং গ্ৰাউণ্ড নকৰিবলৈ।

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে দিচপুৰত অস্থায়ী ৰাজধানী পাতিলে কিন্তু দিচপুৰেই ৰাজধানী নহয় গুৱাহাটীকো ৰাজধানীতে সামৰি লব লাগিব যিহেতু দিচপুৰ আৰু গুৱাহাটীৰ মাজত ১ কিলোমিটাৰৰ ঘনবসতিৰ প্ৰাৰ্থক্য। গতিকে গুৱাহাটী চহৰৰ আবৰ্জনা গুচাবৰ যদি চৰকাৰে চেষ্টা নকৰে তেনেহলে ১ বছৰৰ ভিতৰতে নতুন ৰাজধানী দিচপুৰৰ অৱস্থাও একেই হব।

অধ্যক্ষ মহোদয় আইন শৃঙ্খলা সম্বন্ধে বেছি দীঘলকৈ কব নোখোজো, পুলিচ বাজেটত বেছিকৈ টকা ধৰা হৈছে আৰু এই বিভাগক আৰু অধিক শক্তিশালী কৰাৰ কথা দৃঢ়তাৰে ঘোষণা কৰিছে। কিন্তু ১ মাহৰ ভিতৰতে গুৱাহাটী চহৰত ৬ জন সোপাধৰাক খাইজে ইয়ান মৰিয়ালে অথচ ১৪-১৫ জন লৰাৰ আজিলৈকে কোনো গুংসূত্ৰই নাই আনকি পুলিচেও ইয়াৰ কোনো খবৰ দিব পৰা নাই। যোৱা বিধান সভাত চান্দমাৰীৰ কৃষ্ণকান্ত শৰ্ম্মা নামৰ এজন লোক নাইকীয়া হ'ল তেওঁ চাৰিটা লৰা-ছোৱালীৰ দেউতাক পুলিচক খবৰ দিয়া হ'ল পুলিচে বিছাৰি উলিয়াব নোৱাৰিলে—অথচ তাৰ এমাহমান পিচত তেওঁৰ ঘৰৰ পিচফালে তেওঁৰ মৃতদেহ উদ্ধাৰ কৰিলে। যোৱা বিধান সভাত এই সম্পৰ্কে মই মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিলো মুখ্য মন্ত্ৰীয়ে চাম বুলি কৈছিল কিন্তু আজিলৈ চোৱা নহ'ল।

অধ্যক্ষ মহোদয়, মই আৰু বেছি সময় নলও শেষত কব খুজিছো যোৱা বিধান সভাত অৰ্থাং মাৰ্চ মাহত মুখ্য মন্ত্ৰীয়ে বাজেট দাখিল নকৰিলে পে কমিচনৰ ৰিপোৰ্ট দিয়াৰ পাচত ফাইনেনচিয়েল ইনভোলমেণ্ট কিমান হব বুলি। মই আজি মুখ্য মন্ত্ৰীক সুধিব খুজিছো পে-কমিটিয়ে যি ৰিপোৰ্ট দিলে অন্য শ্ৰেণীৰ কথাই নকও চতুৰ্থ আৰু তৃতীয় শ্ৰেনীক সন্তুষ্ট কৰিব পাৰিছে নেকি ? দাস কমিচনে মৰগীয়া বানচ নিৰ্দ্ধাৰণ কৰোতে ৭ কোটি টকা প্ৰতিবেদন দাখিল কৰিছিল আৰু এতিয়া পে-কমিচনে পাৰ্ট ৰিপোৰ্ট মতে মাত্ৰ চাৰে চাৰি কোটি টকাহে দেখুৱাইছে। যোৱা কালি যেতিয়া ৰাজ্যিক সমন্বয় কামিটিৰ ফালৰ পৰা আন্দোলনকাৰী সকলে আমাৰ বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিছিল তেতিয়া মুখ্য মন্ত্ৰীয়ে পে-কমিচনৰ ৰিপোৰ্ট মতে ব্যৱস্থা লম বুলি কৈছে। তেখেতে তাত এটা কথা কৈছে যে 'ঘোৰা এটাক নিজৰাৰৈ পানী খাবলৈ নিছে কিন্তু ঘোৰাই পানী নাখায়। ইয়াৰ অৰ্থ এইটো হব পাৰে কৰ্ম্মচাৰী সকলৰ দৈনন্দিন জীৱন নিৰ্বহৰ কাৰণে বেছি দৰ্ম্মহাৰ আশা কৰি পে-কমিচন বহুওৱা হ'ল কিন্তু পানী নাখালে মানে কৰ্ম্মচাৰীৰ ওপৰত কুঠাৰাঘাট পৰিল। অন্য এটা অৰ্থ হব পাৰে মুখ্য মন্ত্ৰীয় হয়তো প্ৰশাসনৰ ফালৰ পৰা আৰু বেছি আশা কৰিছিল কিন্তু আশা কৰামতে ফল নাপালে। আমাৰ বোধেৰে

কৰ্ম্মচাৰী সকলক সন্তুষ্ট কৰিব নোৱাৰিলে তেওঁলোকৰ পৰা আচল সেৱা পোৱা নাযাব। ছিলংৰ পৰা যি সকল কৰ্ম্মচাৰী নামি আহিব তেওঁলোকৰ থকা মেলা, ল’ৰা-ছোৱালীৰ পঢ়া-শুনা চিকিৎসা আদিৰ ব্যৱস্থা নিদিলে তেওঁলোকে ৰাইজৰ সেৱা আগবঢ়োৱাত অগ্ৰগামী নহব গতিকে মই আশা কৰো পে-কমিচনৰ ৰিপোৰ্টটো পুনৰ পৰীক্ষাৰ কাৰণে তেওঁলোকক দিব যাতে চৰকাৰী কৰ্ম্মচাৰী সকলৰ মাজত অসন্তুষ্টি নাথাকে। শেষত যি আশাৰে মুখ্য মন্ত্ৰীয় নিৰ্বাচন জয়লাভ কৰিলে দেশত ডাঙৰ ডাঙৰ কৰ্ম্মচাৰীৰ মনোভাব বদলাই এখন সমাজবাদী সমাজ গঢ়াৰ যি আশা সেই আশা পূৰ্ণ হৈছে নে নাই সন্দেহ। আগতে যি লেহেম গতিত অফিচৰ কামকাজ চলিছিল আজিও তাৰ কোনো উন্নতি হোৱা নাই। দুৰ্নীতি আগতকৈও বেছিকৈ শিপাইছে মই আশা কৰিছো মুখ্য মন্ত্ৰীৰ নেতৃত্বত যিবোৰ কাৰ্য্যপন্থা হাতত লৈছে প্ৰত্যক্ষ বা পৰোক্ষভাৱে তাক সফল কৰিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

## Statement made by the Chief Minister on the incident that took place infront of the Assembly House

Shri S. C. Sinha (Chief Minister) :—Mr. Speaker Sir, Now I want to make the statement.

At the very outset I regret very much for what has happened in front of the Assembly and express my deep concern for the cause of the teachers.

Sir, you will appreciate the attitude shown by this Government towards all other demonstrations organised in front of the Assembly. Many a time I have gone out of the Assembly House only to meet and listen to the demonstration. Sir, when we have been able to meet other

demonstrators in cordial and peaceful atmosphere. I do not find any reason why we should fail to meet the teachers in the same way.

But Sir, I am sorry the circumstances became different.

All Assam High School Teachers' Association gave a call to offer satyagraha in front of the State Assembly at Dispur as well as in front of the offices of the Inspector of Schools at district headquarters on 6.6.73. In this connection representatives of different units arrived at Gauhati.

To-day at about 10.30 hrs. about 200 teachers including a few Lady teachers with association banners shouting slogans in support of their demands, reached in front of the barricade at the demonstration area. They, in course of raising slogans tried to break through the police cordon placed along the barricade. On being obstructed by police on duty they became agressive and some of them pelted brick-bats on police resulting injury to an Inspector. They were however persuaded not to use force but attempts to break through police cordons continued. Seven persons sustained injuries at the barbed wire fencing.

Mean while at about 12.10 another batch of teachers numbering about 100 who went along with them wanted to break through the police cordon near the Receptionist's office. The demonstrators snatched away the baton of a constable and also assaulted him with it and three other police personnel who are on duty were also assaulted with sticks in which the demonstrators carried their banners. The police men on duty pushed back the demonstrators. In the resultant melee 14 persons were injured including the four police men mentioned above.

All the injured persons were sent to hospital for treatment.

Shri Dulal Chandra Barua :—Sir, may I submit that this is a mechanical statement. Fourteen (14) members from our side including some hon'ble members from the other side of the House were also present. I thought that the Chief Minister being a very sincere man, would give an honest statement. But he has put forward a different statment. We have seen the situation which was take place in front of us. We can challenge the facts stated by the Chief Minister. The teachers were not aggressive; they did not make any assault on the police. Rather the police played an aggressive role. They wanted to offer a Satyagraha and to court arrest which they made clear to the Police officers. But the police became aggressive and resorted to lathi charge as a result of which so many teachers were injured. You will be surprised to hear that a lady teacher was made naked by the police. Sir, Government can make and unmake things. Therefore it is a demand from this side of the House that a thorough enquiry should be conducted into the matter by a committee constituted from amongst the members of the august House so that the real facts may come out.

Mr. Speaker :–(When Shri Soneswar Bora stood to speak) There is no scope for discussion. There is a procedure for discussing a Statement, in our Rules of Procedure & Conduct of business. At this stage if I allow any discussion it will curtail discussion on the Budget.

Shri Dulal Chandra Barua :—We are not satisfied with the statement made by the Chief Minister. Everything happened in our presence. This blood-stained flag is in front of you. We want to put a full stop to this. Sir, we will not be surprised if somebody, taking advantage of this

incident, will create some situation out of this. Therefore, to put a full stop to such incident in future we want that the real truth should be found out, whether the police indulging high handedness or the teachers were aggressive. For bringing out that truth a small committee may be constituted from this House to go into the matter and submit their report in a day or two. There is no question of discussion or debate. We cannot accept the statement of the Chief Minister. Though conventionally true statement should be made in the House, it seems it is not so So in this case we cannot accept the statement of the Chief Minister and appeal to you to utilise your good office to find out the truth by appointing a committee from this House itself,

শ্রীসোনেশ্বৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে যিটো বিবৃত্তি সদনত ডাঙি ধৰিলে আমি তেখেতৰ লগত এক মত হব নোৱাৰিলো। ইয়াৰ কাৰণ হল যিজন পুলিচ বিষয়াক জখম কৰিছে বুলি কবলৈ গৈছে সেই পুলিচ বিষয়া জনে আমাৰ কেইজনমানৰ আগত এটা বিবৃত্তি দিছিল। তেখেতে আমাক কৈছিল যে তেখেতৰ টুপিটো ইটা মাৰি ওফৰাই দিছিল। এই মানুহজন চুটি চাপৰ এজন এচ আই আছিল। আৰু সেই এচ আই জনেই লাঠি চাৰ্জ কৰিবলৈ অৰ্ডাৰ দিছিল বুলি আমাক কেইজনমানে দেখুৱাই দিছিল। তেখেতৰ গাত আমি কোনো খুন হোৱা দেখা নাই। মাত্ৰ তেখেতৰ টুপিটোত মোৰ নখতকৈ অলপ কম মাটিহে লাগি আছিল। ইয়াৰ কথাটো হল যোৱা কালি শিক্ষক সকলে সত্যাগ্ৰহ বন্ধ কৰিব লাগে বুলি মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীয়ে বিবৃত্তি দিছিল। সেই বিবৃত্তি নামানি সত্যাগ্ৰহ কৰাৰ কাৰণেই চৰকাৰে এইদৰে প্ৰতিশোধ ললে। গতিকে অধ্যক্ষ মহোদয়, মই এই সম্পৰ্কত আপোনাৰ নেতৃত্বত এই ঘটনা সম্পৰ্কত তদন্ত হব লাগে বুলি দাবী কৰো। আমি আপোনাৰ তদন্তৰ কাৰণে অপেক্ষা কৰিম।

Mr. Speaker :—I think the best procedure will be to discuss this matter under the provision of the Rules of the House.

Shri Dulal Chandra Barua : -We do not want to discuss the matter. Our submission to you is that you will look into the matter and constitute a committee to go into the incident and submit its report.

Mr. Speaker :—I think it should be by some discussion. There should be some discussion on the statement of the Chief Minister first and then we can come to a decision.

Shri Dulal Chandra Barua :—Are we to give motion ?

Mr. Speaker :—There are procedures under the Rules.

Shri Dulal Chandra Barua : -The facts remain that incident has taken place.

Mr. Speaker :—That statment has been given. There is some procedure.

Shri Dulal Chandra Barua :—Yes, statment has been given. But we are making a submission to you that the facts stated by the Chief minister cannot be accepted by us. Therefore, it is you who is to constitute a committee.

Continuation of general discussion on the Budget ( contd )

Mr. Speaker : No, no. Now discu sion on the Budget. Yes, Shri Lila Kanta Bora ? ( at 3-08 p.m. Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it)

শ্ৰীলিলাকান্ত বৰা :—মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী তথা বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট আমাৰ সন্মুখত ডাঙি ধৰিলে এই বাজেটখন এখন ঘাটি কৰা বাজেট। আমাৰ অসমৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে প্ৰত্যেক বছৰে একোখন ঘাটি পৰা বাজেট আমাৰ সন্মুখত ডাঙি ধৰি আহিছে। তাৰ পৰা আমি এইটোকে বুজিব পাৰো যে আমাৰ অসমৰ বিত্তিয় অৱস্থা অতি শোচনীয়। মুখ্য মন্ত্ৰীয়ে আমাক দেখুৱাইছে যে ১৯৫২ চনৰ পৰা প্ৰত্যেক

পৰিকল্পনাতে আমি ঋণ গ্ৰস্ত হৈ আহিছো। তেখেতে কৈছে যে ১৯৭৩ চনৰ ১লা এপ্ৰিল তাৰিখ আমাৰ ধাৰ ৪২১.৬৪ কোটি টকা হৈছে। ইয়াৰ পৰাই আমি এইটো ক বুজিছো যে অসমৰ বিত্তিয় অৱস্থা অতি দুখ জনক আৰু সেই কাৰণে আজি আমি ঋণ গ্ৰস্ত হবলগীয়া হৈছো এইটো বৰ আচৰিত কথা। আমি ৪১ কোটি টকা বিভিন্ন শিতানত ব্যয় কৰি আমি উন্নয়নমূলক কাম কৰি তাৰ দ্বাৰা ৰাইজৰ অৱস্থা টনকীয়াল হব বুলি আশা কৰা হৈছিল। কিন্তু যেনেধৰণেৰে ৰাইজৰ অৱস্থা টনকীয়াল হব বুলি আশা কৰিছিলো তেনে ধৰণেৰে হোৱা নাই। প্ৰত্যেক বছৰে প্ৰত্যেক বাজেটতে আমি দেখি আহিছো যে আমাৰ সন্মুখত এখন ভাল ধৰণৰ ছবি আকি দিয়া হয়, আৰু সেই অনুপাতে আমি যি আশা কৰিছিলো যে আমাৰ আৰ্থিক অৱস্থা ক্ৰমাধয়ে ভালৰ ফালে আহিব। কিন্তু আমি বাস্তৱত সদায় ইয়াৰ বিপৰীতহে দেখা পাই আহিছো।

কিন্তু যি হিচাবে আমি আগবাঢ়িব লাগিছিল সেই হিচাবে আগ বাঢ়িব পৰা নাইকীয়া, ইয়াৰ দ্বাৰা মই এইটো কোৱা নাই যে স্বাধীনতাৰ পিচত এই পচিশ বছৰে আমি কোনো ক্ষেত্ৰতে আগবঢ়া নাই। ১৯৫২ চনৰ পৰা কিমান বিলাক পৰিকল্পনা কৰিছে আৰু তাত যি টকা খৰচ কৰিছে সেইবিলাকৰ পৰা যে আমি উপকৃত হোৱা নাই সেই কথা মই কব খোজা নাই। কিন্তু যি হিচাবে আমি আগ বাঢ়িব লাগিছিল সেই হিচাবে যে আগ বাঢ়িব পৰা নাই এই কথাও সত্য। ইয়াৰ পৰা জানিব পাৰি যে আমাৰ টকা নিয়মমতে খৰচ হোৱা নাই, ইয়াৰ অনেকখিনি অপচয় হৈছে। এই টকা উচিত আৰু নিয়মিত ভাবে খৰচ কৰিব পৰা হলে আমি ভালেখিনি আগবাঢ়িব পাৰিলোহেতেন। এতিয়া আমি এটা কথাত বিশেষকৈ লক্ষ ৰাখিব লাগিব যে যি টকা আমি খৰচ কৰো সেই টকা যাতে নিয়মিত ৰূপে খৰচ কৰা হয়, সেই টকাৰ যাতে অলপো অপচয় নহয়। কিন্তু দুখৰ বিষয় কিমানখিনি দেশৰ উন্নতিৰ বাবে খৰচ কৰা বুলি আমাক কোৱা হৈছে আচলতে সিমানখিনি টকা খৰচ হোৱা আমি দেখিবলৈ পোৱা নাই। আমি আশা কৰো মুখ্য মন্ত্ৰী মহোদয় বা বিত্ত মন্ত্ৰী মহোদয় আৰু অসম চৰকাৰৰ বিভিন্ন বিভাগৰ মন্ত্ৰী সকলে এই বিষয় লৈ বিশেষ চকু ৰাখিব।

বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে বহুতো টকা খৰচ কৰিলে। কিন্তু হাজাৰ হাজাৰ টকা খৰচ কৰি প্ৰত্যেক বছৰে যিমান বিলাক ৎথাউৰী বান্ধিছে বান পানীয়ে প্ৰত্যেক বছৰেই সেইবোৰৰ কিছু অংশ ভাঙি গৈছে। তাৰ ফলত বহুত টকা আমাৰ অপচয় হোৱা দেখিবলৈ পাইছে । মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে অকল বাননিয়ন্ত্ৰণ বিভাগতেই আৰু বিদ্যুত বিভাগে ১৫০ কোটিৰো ওপৰ ঋণ দিয়া হৈছে। কিন্তু ই এণ্ড ডি বিভাগত যিমান টকা খৰচ কৰা হৈছে সিমানখিনি কাম নোহোৱাত বহুত টকাৰ অপচয় হৈছে। সমাজবাদী সমাজৰ কথাটো চৰকাৰে গ্ৰহণ কৰিছে এই কথাত আমি একমত, যদিওবা এই ক্ষেত্ৰত প্ৰত্যেক দলৰে বেলেগ বেলেগ মত আৰু আদৰ্শ আছে এই ক্ষেত্ৰত আমাৰ চৰকাৰে কেইটামান পদক্ষেপ লোৱা আমি দেখিবলৈ পাইছো হলচেল ট্ৰেদৰ যিটো ব্যৱস্থা চৰকাৰে কৰিছে সেইটো এটা ডাঙৰ পদক্ষেপ। হলচেল ব্যৱসায়টো আমাৰ চৰকাৰে চৰকাৰৰ নিজৰ হাতলৈ আনিছে অকল সেইটোয়ে নহয়, চাউল, কেৰোচিনতেল, নিমখ, চেনী, কাপোৰ আদি বিভিন্ন খাদ্য সামগ্ৰী চৰকাৰৰ হাতলৈ অনাৰ পৰিকল্পনা কৰিছে। আমাৰ দেশত চৰা দামৰ কোপ পৰিছে, এই চৰা দামৰ পৰা আমাৰ দুখীয়া ৰাইজক কেনেকৈ ৰক্ষা কৰিব পাৰি সেই চেষ্টা কৰিব লাগে। কিন্তু এই ক্ষেত্ৰত আমাৰ চৰকাৰ বিব্ৰত হৈ পৰিছে অকল আমাৰ চৰকাৰেই নহয়, কেন্দ্ৰীয় চৰকাৰো নিৰুপায় হৈ পৰিছে।

১৯৪৮ চনতে চৰকাৰে ব্যৱসায় সমবায় সমিতি গঠন কৰিছিল। এই সমবায় সমিতিবিলাক ১০ হেজাৰ জনসংখ্যাৰ ভিতৰত একোখনকৈ তৈয়াৰ কৰিছিল। আমি আশা কৰিছিলো যে এই সমবায় সমিতিবিলাক সময়ত গা কৰি উঠিব আৰু সস্তীয়া মূল্যত ৰাইজক বস্তুৰ যোগান ধৰি সহায় কৰিব। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে এই ব্যৱসায়টো আমাৰ মানুহে কণ্ট্ৰোলৰ বস্তু খোৱা দোকান বুলিহে ধৰিলে। এই সমবায় সমিতিবিলাক স্থায়ী কৰি সুলভ মূল্যত সকলো বস্তুৰ যোগান ধৰিলে আমাৰ দুখীয়া ৰাইজৰ বহুতো উপকাৰ কৰা হয়। আমাৰ নগাওঁ জিলাতে ১২০ খন সমবায় সমিতি হৈছিল, কিন্তু দুখৰ বিষয় তাৰ এখনো আজি জীয়াই থকা নাই। আজি হলচেল ব্যৱসায়ৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব আৰোপ কৰা আমি দেখিবলৈ পাইছো। অকল চৰকাৰৰ দ্বাৰা এনে এটা ডাঙৰ

প্ৰতিষ্ঠান গঢ়ি উঠা সম্ভৱপৰ নহয় তাত আমাৰ সকলোৰে সমৰ্থন লাগিব। বিশেষকৈ জনগণৰ সমৰ্থন নহলে এই ক্ষেত্ৰত কেতিয়াও আমি কৃতকাৰ্য্য হব নোৱাৰো। ইয়াৰ দ্বাৰা তৃথীয়া আৰু আমাৰ নিচলা ৰাইজ উপকৃত হব। গতিকে এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ লবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। আৰু আশা কৰিছো ই জনগণৰ অকুণ্ঠ সমৰ্থন লাভ কৰিব।

ইয়াৰ উপৰিও চৰকাৰে আন এটা ক্ষেত্ৰত জনহিতকৰ কাম কৰিবলৈ তৎপৰ হোৱা আমি দেখা পাইছো। সেইটো হৈছে কৃষিপাম নিগম প্ৰতিষ্ঠান কৰা। এইটো অসম চৰকাৰৰ এটা ডাঙৰ পদক্ষেপ। এই নিগমৰ দ্বাৰা আমাৰ নিচলা ৰাইজ উপকৃত হব বুলি আমি আশা ৰাখিছে। আৰম্ভণীৰে পৰা এই ক্ষেত্ৰত যাতে আমি সফলতা লাভ কৰিব পাৰো তাৰ বাবে চৰকাৰৰ লগত আমি সকলোৱে তৎপৰ হোৱা উচিত।

অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাও যে আমাৰ মানুহে এটা কাম আৰম্ভ কৰাৰ লগে লগে তাক ভাল ফল লগে লগে পাবলৈ আশা কৰো। আৰু কিবা ব্যতিক্ৰম হলে আমাৰ মানুহে নানা ধৰণৰ সমালোচনা কৰিবলৈ যায়। আমি দেখিবলৈ পাইছো যে, সমবায়ৰ ক্ষেত্ৰত শত্ৰু অনেক। সমবায়ৰ বন্ধু বিশেষ নাই বুলিলেও হয়। দেখা গৈছে যে যিবিলাক মানুহৰ কাৰণে সমবায় কৰা হয় সেইবিলাক মানুহেই ইয়াৰ তাৎপৰ্য্য বুজিব নোৱাৰে। গতিকে শত্ৰুবিলাকৰ লগতে তেওঁলোকেও হয়ভৰ দিয়ে। তাৰ ফলত সমবায় বিলাক গঢ়ি উঠাৰ লগে লগে মৰিবলগীয়া হয়। আমাৰ দেশত সমবায়ৰ বুৰঞ্জী আশাপ্ৰদ নহয়। কিছুমান লোকৰ কাৰ্য্যৰ দ্বাৰাও সমবায় হেয় প্ৰতিপন্ন হৈছে। সেইকাৰণে সমবায়ে বিশেষ উন্নতি কৰিব পৰা নাই।

অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰতো আমি দেখিবলৈ পাও যে. চৰকাৰৰ তৰফৰ পৰা যোৱা শীত কালত ৰবিশস্য উৎপাদনৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা ৮ কোটি টকা এই ৰবিশস্যৰ কাৰণে অসম চৰকাৰলৈ আগবঢ়াইছিল বুলি জানিব পাৰিছো। আমাৰ অসমখন এখন বান বিধ্বস্ত অঞ্চল। গতিকে ৰবিশস্যৰ জৰিয়তে আমাৰ মানুহৰ যথেষ্ট সহায় হল

হয়  কিন্তু দুখৰ বিষয় যে, যি সময়ত ৰবিশস্যৰ কাম আৰম্ভণী কৰিব বিচাৰিছিল সেই সময়তে ভাষাৰ মাধ্যম আন্দোলন আহিল। সাধাৰণতে চেপ্তেম্বৰ মাহৰ আৰম্ভণীতে ৰবিশস্যৰ কাম কৰিব লাগে  সেই শস্য পলমকৈ হলেও বহুতো ঠাইত ঘেহু খেতি ৰাইজে কৰিছিল। কিন্তু বা ৰবিশস্য কৰিবলৈ হলে সাধাৰণতে সেই ঠাইত পানী যোগানৰ ব্যৱস্থা থাকিব লাগিব। জলসিঞ্চনৰ ব্যৱস্থা নাথাকিলে ৰবিশস্য অনমত নহয়। কিন্তু দুৰ্ভাগাৰ বিষয় যে, যেনে ধৰণে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিছিল তেনে ধৰণে জলসিঞ্চনৰ ব্যৱস্থা কৰা নাই। গতিকে ভবিষ্যতে ৰবিশস্য কৰিবলৈ হলে পানী যোগানৰ ব্যৱস্থা আগতিয়াকৈ কৰিব লাগিব। নগাওঁ জিলাত যথেষ্ট পৰিমাণে ঘেহু খেতি হব বুলি আশা কৰিছিলো। কিন্তু একে লেঠাৰিয়ে প্ৰায় ৬ মাহমান বৰষুণ নাহোৱাৰ কাৰণে সেই আশা ফল নহল। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিলে ৰবিশস্য ভালভাবে উৎপন্ন নহয়। গতিকে ৰবিশস্য কৰিব পৰা অঞ্চল বিলাকত জলসিঞ্চনৰ ব্যৱস্থা আগতিয়াকৈ কৰিব লাগিব। ইয়াৰ ওপৰিও যি বীজ চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছিল তাৰ খাজনা আজি পৰিশোধ কৰিব পৰা নাই। ফলত ৰাইজৰ সম্পত্তি ক্ৰোক কৰিব বুলি ভয় দেখুৱা হৈছে। দেখা গৈছে যে, ইয়াৰ ফলত ৰাইজৰ উপকাৰ হোৱা নাই বৰঞ্চ অপকাৰহে হৈছে।

অধ্যক্ষ মহোদয় এইখিনিতে মই স্বদেশী আন্দোলনৰ কথা কবলৈ বিচাৰিছো। মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত ১৯২১ চনৰ পৰা যি স্বাধীনতাৰ সংগ্ৰাম হৈছিল তাৰ জৰিয়তে নিজৰ দেশত তৈয়াৰ কৰা কাপোৰ ব্যৱহাৰ কৰাৰ কথা প্ৰচাৰ হৈছিল। সেই আন্দোলনৰ কথা আমি উপলব্ধি কৰিব পৰা নাছিলো। কংগ্ৰেছে খাদী পৰিধানৰ প্ৰতি গুৰুত্ব দিছিল। আজি আমাৰ সদনত এটা প্ৰশ্ন উঠিছিল যে খাদী পৰিধান কৰা ভালনে নাইলনে পৰিধান কৰা ভাল? নাইলনে ১০ বছৰ যাব খাদী কিমান দিন যাব? এইভাবে তুলনা কৰি যুক্তিৰ অৱতাৰণা কৰা হৈছে। খাদী পৰিধান কৰাৰ উদ্দেশ্য কৰিলে আমাৰ দেশৰ যিবিলাক বাৰী খাৰী তিৰোতা মানুহে তৈয়াৰ কৰা কাপোৰ আদি বিক্ৰী হলে তেওঁলোকৰ জীৱিকা উপাৰ্জন হব। আমাৰ জাতীয় কংগ্ৰেছে খাদী কাপোৰ পৰিধান কৰিবলৈ সকলোকে আহ্বান জনাই আহিছে। ইয়াৰ উদ্দেশ্য মহৎ।

আজি আমাৰ ৰাইজৰ তৰফৰ পৰা আৰু শিক্ষা বিভাগৰ লগত জড়িত থকা শিক্ষক-সকলে কৈ আহিছে—আমাৰ শিক্ষা বিভাগটো ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে। সম্পূৰ্ণ চৰকাৰে হাতত লব লাগে। আৰম্ভণীতে আমাৰ যিটো প্ৰাথমিক শিক্ষা সেইটো চৰকাৰৰ হাতলৈ নিছে তাত আমাৰ সম্পূৰ্ণ সমৰ্থতি আছে। কিন্তু এইখিনিতে এটা কথা কব বিচাৰিছো চৰকাৰে যিকোনো উপায় অৱলম্বন কৰি যিসকল শিক্ষক অৱসৰ লব লাগিব তেওঁলোকৰ কাৰণে বিশেষ ব্যৱস্থা লব লাগে, কাৰণ আগতে শিক্ষকসকলে ৬০ বছৰ বয়সত অৱসৰ পাইছিল। এতিয়া ৫৫ বছৰ বয়সত অৱসৰ দিব। কিন্তু এই যে ৫৫ বছৰ বয়সত যি সকলক অৱসৰ দিব লাগিব তেওঁলোক ইয়াৰ কাৰণে প্ৰস্তুত হৈ থকা নাই আৰু চৰকাৰেও আগতীয়াকৈ নটিচ দিয়াৰ ব্যৱস্থা কৰা নাই। ৫৫ বছৰ বয়সত তেওঁলোকক চৰকাৰে অৱসৰ দিব কিন্তু তাৰ পৰা তেওঁলোকৰ পৰিয়ালৰ অসুবিধা হব, কষ্ট হব। এইটো কোনেও নুই কৰিব নোৱাৰে।

গতিকে আমি চৰকাৰৰ যিটো সিদ্ধান্ত সেই সিদ্ধান্ত বাতিল কৰিবলৈ বিচৰা নাই সেইটো ৰাখি আৰু তেওঁলোকৰ বিষয়ে মনোনিবেশ কৰি তেওঁলোকক ২/৩ বছৰ যি দৰমহা হয় তেনে পৰিমাণৰ এটা অনুদান দিব বুলি আশা কৰিলো। আন এটা কথা এই শিক্ষক সকলৰ সম্বন্ধে আছে যি সকল শিক্ষকক এতিয়া অৱসৰ দিব লগা হব সেই সকলৰ বহুতো শিক্ষকেই খুব কম দৰ্মহাত কাম কৰিছিল। আৰু বহুতো ত্যাগ স্বীকাৰ কৰি এই অনুষ্ঠান বিলাক গঢ়ি তুলিলে। কিন্তু চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰথম বলি হল এই শিক্ষক সকলেই। গতিকে তেওঁলোকৰ ক্ষেত্ৰত বিশেষ ভাৱে চৰকাৰক বিবেচনা কৰি চাবলৈ মই অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয় আমাৰ এই অসমখন সকলো বিষয়তে পিচপৰা। বৃটিছ চৰকাৰৰ দিনত অসমক যেনেদৰে দৃষ্টি দিব লাগিছিল তেনেদৰে হৈ নুঠিল। স্বাধীনতাৰ পাছত আমাৰ নিজৰ চৰকাৰৰ দিনতো কেন্দ্ৰীয় চৰকাৰে যেনেদৰে পদক্ষেপ লব লাগিছিল তেনেদৰে নহল। কিন্তু আজি কিছুদিনৰ পৰা কেন্দ্ৰীয় প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত অসমৰ প্ৰতি এটা বেলেগ দৃষ্টি

দিয়া আমি দেখিবলৈ পাইছো। গতিকে আমি আশা কৰিব পাৰিছো যে আমাৰ যিখিনি অৱস্থা পাচ পৰি আছে সেইখিনি অৱস্থাক আগুৱাই নিব'ল অতি সোনকালে জোৰ দিব লাগিব। মই আৰু এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যাতায়তৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ তুলনাত আমাৰ অসম শতকৰা ৫০ ভাগ পিচপৰি আছে। আমি হয়তো ভাবিব পাৰো যাতায়তৰ ক্ষেত্ৰত আমি আগবাঢ়িছো। কিন্তু সেইটো নহয়। অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে মাজ ভাগেদি ব্ৰহ্মপুত্ৰ বৈ গৈছে আৰু অসমক দুভাগ কৰি ৰাখিছে তাৰ ফলত আমাৰ যাতায়ত, বাণিজ্য, কৃষি আদি সকলোতে বাধাৰ সৃষ্টি কৰিছে। সেইকাৰণে আজি অসমৰ ৰাইজে ব্ৰহ্মপুত্ৰৰ ওপৰত কেইবাটাও দলঙৰ দাবী কৰিবলৈ বাধ্য হৈছে। আমি শৰাইঘাট দলং পালো তাৰ পৰা কিমান উপকাৰ হৈছে সকলোৱে জানে কিন্তু অসমৰ মাজভাগত শিলঘাট আৰু ভোমোৰাগুৰিত এখন দলঙৰ বাবে দাবী কৰি আহিছে আৰু কেইবাটাও প্ৰস্তাৱ পোৱা হৈছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় এতিয়ালৈকে এই দলংখন হৈ উঠা নাই। যিহওক আমি দেখিবলৈ পাইছো আমাৰ চৰকাৰে এই বিষয়ে বিশেষ তৎপৰতা অৱলম্বন কৰিছো। ১৯৭৬ চনত আমি আমাৰ জিলা কংগ্ৰেছ কমিতিৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ এখন চিঠি মই এটা প্ৰস্তাৱ পঠাইছিলো আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰীক্ষাৰ কাৰণে অসম চৰকাৰলৈ পঠাই দিলে। কিন্তু আমি জানিব পাৰিছো এই কাগজ চৰকাৰৰ অফিচতে পৰি থাকিল। তাৰ পাচতে ১৯৬৮ চনত কেন্দ্ৰলৈ শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীয়ে এখন চিঠি দিছিল। সেইখন কাগজো ইয়াত আহি পৰি থাকিল। তাৰ পাচত তেজপুৰ চেম্বাৰ অৱ কমাৰ্চ সম্বাই এটা প্ৰস্তাৱ দিছিল সেইটোও কাগজতেই আবদ্ধ হৈ ৰ'ল যি হওক চৰকাৰে এতিয়া এই বিষয়ে পদক্ষেপ লোৱা শুনি সুখ পাইছো। কিন্তু আমাৰ দুৰ্ভাগ্য যে অসম চৰকাৰৰ বিষয়াই পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰিকল্পনাৰ ভিতৰত এই দলং নিৰ্মাণৰ কাম হব লাগে বুলি জনায়। আজিৰ যুগত ২০ কোটি টকাৰ এখন দলং তিনিটা পৰিকল্পনালৈ পিছুৱাই দিয়া সম্ভৱ হব লাগেনে? ইয়াৰ পৰা এইটোকেই প্ৰমাণ কৰিব পাৰে আমাক দলং নালাগে। সেই কাৰণে আমি আশা কৰিছো পঞ্চম পৰিকল্পনাৰ ভিতৰতেই দলংখন হব লাগিব। এই এখনেই নহয় কেইবাখনো দলং ব্ৰহ্মপুত্ৰৰ ওপৰত লাগে। এখন পঞ্চৰত্ন যোগীঘোপা এখন শিলঘাট ভোমোৰাগুৰি

এখন নিমাটিঘাত অ'ৰু এখন শদিয়াত। আমি আশা কৰি'ছো শিলঘাট অ'ৰু গোগী-ঘোপাৰ দলং তুখন পঞ্চম পৰিকল্পনাৰ ভিতৰত যাতে হয় তাৰ বাবে চৰকাৰ এই বিষয়ে ততপৰতা অৱলম্বন কৰিব। গতিকে শতকৰা ৫০ ভাগ পিচপৰা লোকৰ অসমৰ বাইজে এই দলং তুখন দাবী কৰাটো কোনো অযুক্তিকৰ নহয়। ই আমাৰ পিচপৰা ৰাইজৰ যুক্তিৰ দাবী।

তাৰ পিচত মই কব বিচাৰিছো আমাৰ নগাওঁ জিলাত আজিলৈকে বিমান ঘাটি এটা নহল। ১৯৫৫-৫৬ চনত কেন্দ্ৰীয় মন্ত্ৰী ৰাজবাহাদুৰে নগাওঁত এখন বিমানঘাটি দিয়াৰ কথা কৈছিল, কিন্তু ইতিমধ্যে আমাৰ চৰকাৰৰ তৰফৰ পৰা কি কৰিলে কব নোৱাৰিলো। শুনিবলৈ পাইছো কেইজনমান নেতাই ৰাজধানী শ্বিলঙতেই বিমানঘাটি হোৱা নাই বুলি শ্বিলঙত হোৱাৰ পিচতহে নগাওত হব পাৰিব বুলি আপত্তি দৰ্শালে। কিন্তু শেষত আমি দেখিবলৈ পালো যে শ্বিলঙত নহল নগাওঁতো বিমান ঘাটি নহল। সেই কাৰণে অনতিপলমে নগাওঁত বিমান ঘাটি দিবলৈ চৰকাৰক দাবী কৰিলো।

১৯৭১ চনত আমি কেইজনমানৰ এটা সজাতি দলে দিল্লীলৈ যাওঁতে বিভাগীয় মন্ত্ৰী শ্ৰীকৰণ সিংহক লগ ধৰিছিলো। তেখেতে এজন বিষয়া নগাওঁলৈ পঠাই দিলে আৰু সেই বিষয়া জনেই এটি চাৰ্ভে কৰি আছে। এই বিষয়ে আমাৰ পৰিবহন মন্ত্ৰী শ্ৰীহৰেন তালুকদাৰে কোৱা বুলি বাতৰিত জনোৱা হৈছে যে ৫ম পৰিকল্পনাত নগাওঁৰ মিচাত হব বুলি কোৱা আমি দেখিবলৈ পাইছো। আমি আশা কৰিছো ৰাজ্য চৰকাৰে অনপ হেচা মাৰিলেই এই কাৰ্য্যটো হব লাগে।

Shri Syed Ahmed Ali. Minister :—One moment, sir. On 4th I assured the House that I will place some papers on the table of the House regarding the assent of the President to the Panchayat Act. I may be allowed to place the papers on the table of the House.

(The papers were placed on the table of the House) Appendix as Appended 'A'.

(Mr. Deputy Speaker vacated the chair and Mr. Speaker occupied the chair)

ইয়াৰ পিচত মাত্ৰ এটা কথা কৈ মই শেষ কৰিম সেইটো হৈছে স্থায়ী ৰাজধানী সম্পৰ্কত আমি সুখী হৈছো যে চৰকাৰে ইতিমধ্যে শিলঘাট আৰু চন্দ্ৰপুৰৰ প্ৰজেক্ট ৰিপোৰ্ট দিবৰ কাৰণে বিশেষজ্ঞ কমিটি গঠন কৰি দিছে। আমি দাবী কৰি আহিছো যে এক নিৰপেক্ষ কমিটিৰ দ্বাৰা এই প্ৰজেক্ট ৰিপোৰ্ট কৰা হয় যাতে এই বিচাৰ উচিত বিচাৰ হয়। যিটো চৰকাৰী সাব-কমিটি কৰি দিয়া হৈছিল সেই কমিটিৰ বিচাৰ নিৰপেক্ষ হোৱা নাই। আগতেই বিধান সভাত যে এই কমিটিয়ে শিলঘাটৰ যি খন মেপ দিছে সেই খন একেবাৰে ভুৱা মেপ তাত দেখুৱা মতে শিলঘাট, জখলাবন্ধা ইত্যাদি অঞ্চলৰ দুখীয়া খেতিয়ক সকলক উচ্ছেদ কৰি আমি ৰাজধানী বিচৰা নাই। য'ত নেকি ৰাইজৰ খেতি বাতি হয় সেই বিলাক অঞ্চলৰ পৰা দুখীয়া ৰাইজক উচ্ছেদ কৰি আমি ৰাজধানী বিচৰা নাই। আমি শিলঘাটৰ য'ত ৰাজধানী বিচাৰিছো সেই বিলাক অঞ্চলত যথেষ্ট পৰিমাণৰ পতিত মাটি ল'বপৰা যায় যাৰ দ্বাৰা নেকি সৰ্ব্বসাধাৰণ ৰাইজৰ কোনো অপকাৰ নহয়। সেই সময়ৰ ৰাজহ বিভাগৰ সচিব তাতে যাওঁতে তেওঁতে সকলক এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰা হৈছিল তেতিয়া তেওঁলোকে ভাল হৈছে বুলি কৈছিল। কিন্তু দুৰ্ভাগ্য বশতঃ সেইটো ভুল আৰু সংশোধন নহল আমাৰ বহুতে কোৱা মতে এতিয়া যিটো অধিক ক্ষমতা সম্পন্ন কমিটি কৰি দিয়া হৈছে সেই কমিটিটো কেন্দ্ৰীয় চৰকাৰে কৰি দিছে আৰু অসম চৰকাৰৰ ক্ষমতা খৰ্ব কৰা হৈছে। আমি ভাবো যে এই কমিটি এখন নিৰপেক্ষ কমিটি হৈছে আমি আশা কৰিছো এই কমিটিয়ে সকলো বিচাৰ নিৰপেক্ষ ভাৱে কৰিব। এই যি কমিটি কৰি দিয়া হৈছে তেওঁলোক চন্দ্ৰপুৰ আৰু শিলঘাট দুয়োখন ঠাইলৈকে যাওক আৰু তাত স্থানীয় ভাবে তদন্ত কৰি তথ্য সংগ্ৰহ কৰক আগৰ যি কমিটি গঠন কৰা হৈছিল তেওঁলোকে যি তথ্য সংগ্ৰহ কৰিছিল সেইটো কেতিয়াও নিৰপেক্ষ হব নোৱাৰে আৰু তাৰ ওপৰতেই যেন এই নতুন কমিটিয়ে ৰিপোৰ্ট দাখিল নকৰে, তেওঁলোকে নিজেই সেই ঠাইলৈ গৈ পৰিদৰ্শন কৰক আৰু ৰাইজৰ তৰফৰ পৰাও এই বিষয়ে যাতে কবলৈ সুবিধা দিয়ে। মই পুনৰ অনুৰোধ কৰো যাতে এই বিষয়ে সকলো বিচাৰ নিৰপেক্ষ হয় তাৰ কাৰণে যেন চৰকাৰে বিশেষ ধ্যান দিয়ে। শেষত ইমান সময় মোক কবলৈ দিয়াৰ কাৰণে উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ দিলো।

## Adjournment

Mr. Speaker :—The House stands adjourned till 10 a. m. tomorrow the 7th June, 1973.

The House then rose at 4.30 P.M. to meet again 10 a.m. on Thursday the 7th June, 1973.

Dated, Dispur
The 6th June 1973.

P. D. Barua
Secretary.

## Appendix—'A'

To
The Speaker,
Assam Legislative Assembly.
Gauhati (Dispur).
Dated Gauhati, the 6th June, 1973.

Sir,

As assured by me on 4th June, 1973 I am placing the copies of connected papers regarding Assent of the Assam panchayati Raj Act. 1972 by the President of India.

Yours faithfully,
(Syed Ahmed Ali)
Minister, Panchayat & C.D.,
Assam.

GOVERNMENT OF ASSAM
CHIEF MINISTER'S SECRETARIAT
ASSAM : SHILLONG

Memo. No. CMS. 10/73, Dated Shillong the 24th April, 1973.

By direction, the undermentioned paper is forwarded to ;—

1) The private Secretary to Minister,
Panchayat and Community Development
Assam, Shillong for favour of putting up to Minister.

2) The Secretary to the Govt. of Assam,
Panchayat and Community Development Department,
Shillong for information and favour of necessary action.

By order etc.,

Sd/

Principal Private Secretary to
the Chief Minister, Assam.

PAPER FORWARDED

Copy of D. O. No. 17/165/72-Judl. dated April 15, 1973 from Shri K. C. Pant, Minister of Home, Goverment of India, New Delhi addressed to the Chief Minister, Assam.

Please refer to our discussions on the 4th April 1973 and subsequent discussion on 5th April '73 in regard to the Assam Panchayati Raj Bill, 1973, and your letter 6th April 1973, issued from Camp New Delhi.

2 The literacy qualifications for being elected an office bearer of Gaon Panchayat and Mohkuma Parishad are contained in clauses 12 (2) and 20 (2) of the Bill. The former clause refers to qualifications in respect of president and Vice-president of the Gaon-Panchayat, and the latter

clause refers to the qualifications in respect of Chairman and Chief Executive Councillor of the Mohkuma Parishad. During discussions, it was appreciated by you that literacy qualifications for holding elective Offices have been prescribed in this country even in respect of members of the State Legislature or Parliament or even for their becoming Ministers. Therefore to prescribe such qualifications in regard to small elective offices of the Goan Panchayat and Mohkuma Parishad would not seem to be proper. We have noted from your letter that you have no objection to removing these literacy qualifications for these ele tive offices. You will further recall that it was suggested in the discussions that before we process the Bill further, a draft of the Ordinance will be sent to us providing for deletion of these clauses so that along with the assent of the president to the Assam Panchayati Raj Bill, 1972, instructions of the president for the promulgation of the said ordinance could also be accorded. This would enable you to promulgate ordinance simultanously with Bill.

3. We are therefore awaiting the draft Ordinance from the State Government.

With kind ragards,

ASSAM PANCHAYATI RAJ (AMENDMENT) ORDINANCE, 1973

AN

ORDINANCE

to amend the Assam Panchayati Raj act, 1973. Where as it is expedient to amend the Assam Panchayati Raj Act, 1973 hereinafter called the Principal Act, in the manner hereinafter appearing :

Assam Act....
.................

And whereas the Legislature of the State of Assam is not in session and the Governor of Assam is statisfied that circumstances exist which render it necessary for him to take immediate action ;

Now, therefore, in exercise of the powers conforred by clause (1) Article 213 of the Constitution of India. the Governor is pleased to promulgate in the Twenty-fourth Year of the Republic of India the following Ordiance, namely ;

Short title, ement and commencement

1.(1) This Ordinance may be called the Assam Panchayati Raj (Amendment) Ordinance, 1973.

(2) It shall have the like extent as the Principal Act.

(3) It shall be deemed to have come in to force with effect from the date on which the Principal Act. came into force :

Amendment of Section 12 of the Assam Act...of 1973.

2. In section 12 of the Principal Act, Sub-section (2) shall be deleted.

3. In section 20 of the principal Act, in Sub-section (2), clause (3) shall be deleted.

Copy of the Telegram dated 3/5/73 from Govt. of India, REFERENCE YOUR LETTER U/O IJL-170/73/1 DATED 18TH APRIL 1973 ( . ) PRESIDENT APPROVES FORMULA PROMULGATION OF ASSAM PANCHAYATI RAJ (AMENDMENT) ORDINANCE ( . ) 1973 LETTER FOLLOWS ( . )

Copy of letter No 17/175/72/ Judl. dt. New Delhi 110001, the 4 5 73 from the Deputy Secretary to the Govt. of India, Ministry of Home Affairs, addressed to the Secretary to the Government of Assam, Law Department, Shillong.

Sub : The Assam Panchayati Raj Bill, 1972 for assent

Reference your letter No. LJL. 231/72/16, dated the 13th December, 1972, on the subject mentioned.

2. Two authentic copies of the Bill, with the Presidents' assent signified thoreon under Article 201 of the Constitution are returned herewith.

3. The following observations are however brought to the notice of the State Govt. for necessary action :—

(i) In clause 59 of the Bill it is not clear on which guidlines the Rural Development Fund will be applied. The guidlines should have been clearly indicated. It may, hower be ensured that the Central Government may not be involved in any financial liability whatsoever on account of the proposed Bill.

(ii) Clause 12 of the Bill provides the persons convicted of certain offences shall be disqualified in being a member of the Gaon Panchayat, Clause 12 (1) (a) however, does not adequately covers persons convicted of an offence under the Untouchability ( offences ) Act. The State Govt. may please consider to amend this clause in the following manner.

has been convicted of an offence involving moral turpitude or of an offence under untouchability (offences) Act., 1955, or convicted for any other offence, if the sentence awarded is imprisonment.

(iii) There is not provision in the proposed bill similar to section 87 (3) of the Assam Panchayat Act, 1959, relating to the term of office of a member of a Panchayati Adalat. The State Govt. may consider the advisibility of making a similar provision in the present Bill.

4. The receipt of this letter may kindly be acknowledged.

1) The Assam Panchayati Raj Bill, 1972 was passed by the Legislative Assembly in September, 1972, and was, later reserved for Presidents' assent, The Pressident. however, objected to the provisions in Section 12, subsection (2) and section 20, subsection (2) clause (b) of the Bill, which laid down that person was required to be able te read and write the language of the region, for holding the office of President or Vice-President of the Gaon Panchayat. or of Chairman or Chief Executive councillor of the Mohkuma Parishad. It was, therefore agreed that this literacy qualification for holding the elective offices, would be removed, after the Act is brought in to force.

C M's note dated 4.4,73, is reproduced below. "Minisrer, Panchayat,

President's assent to the Panchayat Act has been withheld because of a provision in the Act that an illiterate person cannot be a Gaon Panchayat President. Illiteracy cannot be a disqualification. Even in the peoples Representation Act, this is not a disqualification. An illiterate person can be a Member of the Legislature, Parliament and even a Minister. So, this provision should be done away with. On receipt of the assent, an ordinance will have to be passed

amending this provision of the Act, so that at the time of the election, this does not stand in the way. I have agreed to this.

Sd/- S. C. Sinha,
4.4.73

3) The Act has been brought into force on 7th May, 1973.

4) Rules framed under the Act, for conduct of election and constitution of Gaon Panchayats' and Mohkuma Parishads' are required to be published immediately. Before publication of these Rules, it is necessary to amend the Act, as required by the Govt. of India. Therefore, it is necessary to promulgate an Ordinance.